চান্দমামা

জানুৱাৰি ১৯৯০



What makes Junior Quest every child's best friend?
It's crammed with answers.
It's a challenge to do-it-yourself.
It's an invitation to contests.
It's an exciting pull-out in each issue.
JUNIOR QUEST
Where finding out is fun
PRICE Rs.5/-
To subscribe write to,
JUNIOR QUEST,
Dolton Agencies, Chandamama Buildings,
N.S.K. Salai, Vadapalani,
Madras: 600 026.
A new monthly English children's magazine
A Chandamama Vijaya Combines publication

Now from Lion Pencils, here's another Novelty...
the Pearl finished **LION PINKY** pencil, a pretty pencil to behold.
Superb in looks, super smooth in writing with its HB Lead
strongly bonded to give you unbreakable points.

Also available with rubber tip and hexagonal

Other popular brands of Lion Pencils are:
Lion **MOTO,** Lion **TURBO,** Lion **SWEETY,** Lion **CONCORD,**
Lion Hi-Tech **METALLIC,** Lion **MASH-HOOR,** Lion **EXECUTIVE,**
Lion **NOVELTY,** Lion **GEEMATIC** Drawing Pencils
and **RATTAN** Colour Pencils & Wax Crayons.

LION PENCILS PVT. LTD. 95 Parijat, Marine Drive, Bombay 400 002.

National-407


এদিন, গোৱাৰ সাগৰ তীৰত.....
তুমি "চাৰিটি মহান ভাৰত সন্তানৰে" এটি নহয়নে বাৰু?
হয়! কিয়...
তুমি আমাক সহায় কৰিবানে?
নিৰ্ভীক চাৰিমিত্ৰ — দলপতি ইউচুফ, জ্ঞানী গুৰুস্বামী, অনুসন্ধিৎসু নেন্সী, আৰু বীৰ পৰম। ভাৰতৰ অপাৰ সৌন্দৰ্য্যত মুগ্ধ এওঁ লোকে বিপদলৈ কেৰেপ নকৰে আৰু বেয়া কামৰ প্ৰতিবাদ কৰে।
বেয়াকৈ কাটিলে
বহা, এজন ডাক্তৰৰ ওচৰলৈ লৈ যাওঁ।
কি হ'ল?
ৰং-তামাচা কৰিবলৈ অহা সকলে পেলাই থৈ যোৱা ভগা চিচাৰ বটলে কাটিলে।
মই কাকুতি কৰিছোঁ। আপোনালোকৰ বটল আৰু এনেধৰণৰ বস্তু বোৰ যেন পেলাই থৈ নাযায়।
পিছত, পুৰণি গীৰ্জাটোলৈ যাওঁতে....
অ! সাগৰ তীৰ চিকুণাই ৰাখিবলৈ কি সুৱা ইয়েই এটি।
হেৰি মিষ্টাৰ, এইটো এটা ধেমালি নহয়। চাওক! ই বিপদজনকো হব পাৰে।
কিমান অপূৰ্ব! নহয়নে বাৰু!
...."আৱাৰ লেডী অব দা মাউন্ট"ৰ স্মৃতিত সমৰ্পিত। নিজৰ জয়ৰ চিন স্বৰূপে 1510 চনত এফ'ন্স' ডি অলবুকৰ্কৰ দ্বাৰা নিৰ্মিত। তেওঁলোকে পৰ্টুগীজ সকল আনকি মোগল সকলতকৈও আগতেই ভাৰতলৈ আহিছিল।
?

ভিতৰত সোমালে লাগে যেনিবা প্ৰাচীন ৰজা আৰু বিজেতাসকল আমাৰ চাৰিওকাষে আহ-যাহ কৰি আছে।
ইমান গহীন! ইমান নিজম!
এই হাতুৰী-বটালীৰ শব্দটো ক'ৰ পৰা আহিছে?
THAK
THAK
THAK
TONY ♡ S
ধৰিলোঁ ইয়াক
আহ-হ-হ
হেৰা, তুমি ইতিহাস নষ্ট কৰিছা। আমাৰ ঐতিহ্য নাশ কৰিছা।
TONY ♡ S
কিযে এটা অপৰাধ! চাই থাকা তোমাৰ কি গতি হয়।
তোমাৰ বাহনখনৰ নম্বৰটো আমাৰ হাতত আছে। আমি পুলিচক জনাম।
আমি বৰ লাজ পাইছোঁ। এনে মূৰ্খামি কৰিব নালাগিছিল।
মোৰ ভুল হৈছিল। আগলৈ নকৰোঁ।
"আগলৈ নকৰোঁ" বুলিলেই নহ'ব। অন্যই এনেকুৱা মূৰ্খতাপূৰ্ণ কাম কৰা দেখিলে তুমি বাধা দিবও লাগিব।
আমাৰ সংকল্প আহক ভাৰতক শুৱনিকৈ ৰাখোঁ
তোমালোকেও আমাৰ পাৰিপাৰ্শ্বিকতাক অবুজ মানুহৰ হাতত নষ্ট হোৱাৰ পৰা বচোৱা উচিত। আমি মিলি-জুলি কাম কৰিলে ভাৰতৰ অপাৰ সৌন্দৰ্য্যক চিৰ যুগমীয়া কৰি তুলিব পাৰিম হ'ক।

চান্দমামা

জানুৱাৰি ১৯৯০

এই সংখ্যাত আছে

সম্বাদ-বি-সম্বাদ	:	৯
ভয়েজাৰ ২-ৰ নীল গ্ৰহলৈ	:	১০
গছ মাৰি গোট	:	১১
দস্যু যুৱৰাজ	:	১৫
লোভ চক্ৰৱৰ্তী	:	২১
মানৱ-মহামানৱ	:	২৮
জ্ঞান-ভাণ্ডাৰ	:	৩৩
নেহৰু-উপাখ্যান	:	৩৭
সিঁচা পানী	:	৪১
কৃষ্ণাৱতাৰ	:	৪৫
বনৰ ধন	:	৫৩
আত্মত্যাগ	:	৫৮
দুখ আৰু সুখ	:	৬০
প্ৰকৃতিৰ বিস্ময়	:	৬৩

চান্দমামা

খনে : ৩০·০০ বছৰেকীয়া বৰঙণি ৩৬·০০টকা মাথোন

'চান্দমামা'ৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ

ঠিকনা-পৰিৱৰ্তনলৈ ৬৫ পৃষ্ঠা চাওক

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চ ক্র পা ণি * বি নাগিৰেড্ডি

* ফটো-নামকৰণৰ ঠিকনা-পৰিৱৰ্তনলৈ ৬৫ পৃষ্ঠাত চাওক *

বৰ্ণ তথা ধৰ্মীয় বিদ্বেষ

সদ্যহতে মধ্যপ্ৰদেশ, তামিলনাডু অৰু দেশৰ অন্যান্য কিছুমান ঠাইতো বৰ্ণ তথা ধৰ্মীয় বিদ্বেষৰ জুইশিখা নিদাৰুণ-নিকৰুণ ভাৱে পৰিলক্ষিত হৈছে আৰু তাৰ ফলত দেশত অশান্তিৰ দাবানলৰ সৃষ্টি হৈছে।

প্ৰকৃতপক্ষে ধৰ্ম আছিল মানৱৰ মাজত নিহিত মানৱতাৰ প্ৰকাশৰ এক সুন্দৰ মাধ্যম; কিন্তু সেই সুন্দৰ মাধ্যম আজি বীভৎস আক্ৰোশলৈ ৰূপান্তৰিত।

আজি দেশৰূপী বৃক্ষ বৰ্ণ তথা ধৰ্মীয় ভেদবুদ্ধিৰ আক্ৰমণৰ ফলত লঠঙাহেন হৈ পৰিছে।

বৰ্ণ আৰু ধৰ্মীয় বিদ্বেষক পুলিয়ে-পোখাই উভালি দেশবৃক্ষক পুনৰ সতেজ-সেউজ কৰি তোলাটো আমাৰ প্ৰত্যেকৰে অৰ্থাৎ বৰ্ণ-ধৰ্ম-সম্প্ৰদায় নিৰ্বিশেষে প্ৰতিজন ভাৰতবাসীৰ এক পৱিত্ৰ কৰ্তব্য।

বছৰ : ১৪ জানুৱাৰি ১৯৯০ সংখ্যা : ১০

খনে : ৩'০০ টকা : : বছৰেকীয়া বৰঙণি : ৩৬'০০ টকা

'মেৰি'—২২ কেৰাটৰ সোণ-খতোৱা অলংকাৰৰ জগতত এক বিশ্বস্ত আৰু বিখ্যাত নাম। গুণত অনুপম! সৌন্দর্য্যত অপৰূপ!! গেৰান্টিযুক্ত, প্ৰত্যেকৰ ৰুচিসম্মত অতুলনীয় অলংকাৰ!

অৰ্ডাৰ পঠাওঁতে অলংকাৰৰ নম্বৰ উল্লেখ কৰিব। ডাক-মাচুল (ভি. পি.) অতিৰিক্ত। বিনামূলীয়া কেটালগৰ বাবে লিখি পঠাওক।



MERI GOLD COVERING WORKS

P.O. BOX : 1405, 14, RANGANATHAN STREET,
T. NAGAR, MADRAS-600 017, INDIA.



Neptune

ভয়েজাৰ ২-ৰ নীলগ্ৰহলৈ যাত্ৰা

সূৰ্য্যৰ চাৰিওফালে আমাৰ এই পৃথিৱীৰে সৈতে বুধ, বৃহস্পতি, শুক্ৰ, শনি, য়ুৰেনাছ, নেপচুন, প্লুটো আদি গ্ৰহ, তথা অন্য অন্য অনেক উপগ্ৰহ নিৰবধিকাললৈ পৰিভ্ৰমণ কৰি আছে। এই গ্ৰহ-পৰিয়ালক সৌৰ-পৰিয়াল বুলি কোৱা হয়। এই পৰীয়ালটিৰ কেন্দ্ৰ সূৰ্য্য যে দেখাত ঘূৰণীয়া আকৃতিৰ, সেই কথা অতি সুপ্ৰাচীনকালৰেপৰাই আমি জানো।

আমাৰ চতুৰ্দিশত পৰিব্যাপ্ত বায়ুমণ্ডলৰ স্থিতি-পৰিস্থিতি জানিবলৈ নিৰন্তৰ প্ৰচেষ্টা চলোৱা হৈছে। এই কাৰণে মহাশূন্যলৈ অনেক ৰকেট পঠোৱা হৈছে। সুদূৰ নেপচুনগ্ৰহৰ বা-বাতৰি জনাৰ বাবে আমেৰিকাই ভয়েজাৰ ২ মহাশূন্যলৈ পঠাইছিল, যি ভয়েজাৰ-২ য়ে নেপচুনৰ সবিশেষ সমাচাৰ আমালৈ বিভিন্ন ভাৱে পঠাইছে আৰু এতিয়ালৈকে৷ পঠাব ধৰিছে।

১৯৭৭ চনৰ ২০ অগাস্টৰ দিনা আমেৰিকাই ভয়েজাৰ-২-ক বাৰ বছৰীয়া এক অবিৰাম যাত্ৰালৈ পঠাইছিল অৰ্থাৎ ৪·৪৩ লাখ কোটি (বিলিয়ন) মাইললৈ যাত্ৰা কৰি নেপচুন গ্ৰহৰ সীমা পাইছিলগৈ। ভয়েজাৰে পৃথিৱীলৈ পঠোৱা ফটোমতেঃ নেপচুন হ'ল নীলবৰ্ণ গ্ৰহ আৰু ইয়াৰ চাৰিওফালে পাঁচটা বৃত্ত আছে, আৰু তাৰ মাজত তিনিটা বৃত্ত অতি পাতল। এই গ্ৰহৰ উপৰিভাগত ঘণ্টাত ৬০০ মাইল গতিৰে সদায় প্ৰচণ্ড ধৰণে কোবাল ধুমুহা বলি থাকে।

Earth

Saturn



Mercury



Sun

নেপচুন গ্ৰহ চাৰিওফালে চান্দমামাৰ [জোন] দৰে ৮ টা উপগ্ৰহ পৰিভ্ৰমণ কৰে। এইবোৰ চান্দমমোৰ মাজত 'টি টাছ' নামৰ চান্দমামা দেখাত অপূৰ্ব মনোহৰ। এই সুন্দৰ চান্দমামাটি বৰফেৰে পৰিপূৰ্ণ বুলি অনুমান কৰা হয়।

ভয়েজাৰ-২ য়ে পঠোৱা বাতৰিৰ ভিত্তিত নেপচুন গ্ৰহৰ সম্পৰ্কে, আৰু সমগ্ৰ সৌৰ পৰিবাৰৰ সম্পৰ্কেই বিজ্ঞানীসকলে বিভিন্ন নতুন নতুন তথ্য চমকপ্ৰদ তথ্যপাতি পোৱা হৈছে।

গছ মাৰি গোট

খেতিয়ক
ভূপতিৰ পুতেক গজপতিৰ
খেতি-খোলাত মুঠেই মন-কাণ নাই।
এই কথালৈ মন কৰি মৃত্যুৰ আগে আপে
ভূপতিয়ে তাৰ পুতেক গজপতিক ক'লে যে—
তেওঁৰ মৃত্যুৰ পাছত মাটি-বাৰী খেতি-পথাৰ আদি
গজপতিয়ে ভোগ কৰিব পাৰৰি ; কিন্তু সি এইবোৰ বেচিব
নোৱাৰিব বুলি দানপত্ৰত লিখি থৈছে। ভুপতিৰ মৃত্যুৰ পাছত
দুৰছৰ খেতি-পথাৰবোৰ খৰ কোবাই গ'ল, শইচ নোপজিল. তৃতীয়
বছৰত ধুমুহা বানপানীয়ে ডুবাই গ'ল, আৰু গজপতি প্ৰকৃততেই
বিপাঙত পৰি অলপ টকা-সিকা ধাৰলৈ বিচাৰি তাৰ মোমায়েক নাগৰাজৰ
কাষ চাপিল। মোমায়েক নাগৰাজে ক'লে, "শুনা ভাগিন, আজিৰ দিনত
অলপো বুদ্ধি থকাই কি বোলেনে—সেইবোৰ খেতি-খোলা নকৰে। মোৰ
কথা শুনা যদি—কিবা কাৰবাৰত ধৰা, লখিমীক থাকিব ঘৰতে ভৰা।"
"কৈছাহে, পিছে কাৰবাৰ কৰিময টকা পাম ক'তে?" টকা?
তোমাৰানা টকাৰ চিন্তা কিহৰ? আছে মাটি-বাৰ-ঁধন টকা পাবা
কৰিলেই মন।" "হয়। পিছে যদিহে কাৰবাৰৰ 'ক, টোকো
নজনাই কাৰবাৰত ধৰি যদি লোকচান পৰোঁ তেতিয়া
শুজিমনেনা ক'ৰপৰা?" গজপতিয়ে ক'লে।" পৰিলাইবা
লোকচানত, একোনহ'ব।" মোমায়েকে ক'লে,
"যি মাটি চাই দিব উধাৰ, সেই
মাটি নহয় তোমাৰ।"

গণেশ গগৈ

বোলে—'মোমাইৰ বুদ্ধি কাৰ্য্যসিদ্ধি'। কথাটো হয়। মাটি-বাৰীখিনি তাৰ, আকৌ তাৰ নহয়ও। মাটি-বাৰী দেখুৱাই মহাজনহঁতে উধাৰ দিবলৈ মাখি পৰাদি পৰিব, তাৰ পাছত বিঘাত মৰণে মৰিব। মোমাইৰ বুধি ভালৰ ভাল, মোমাইৰ বুধি কালৰ কাল।

গজপতিয়ে এইবাৰ কাৰবাৰ কৰিব বুলি গাঁৱৰ মহাজনহঁতৰপৰা এক লাখ টকা ধাৰলৈ ল'লে।

গজপতিয়ে ধান-চাউল মাহ সৰিয়হৰ কিনা-বেচাৰ কাৰবাৰত ধৰিলে, আৰু লাভৰো উপৰি লাভ কৰি থাকিল। আৰু এই লাভৰো উপৰি লাভ কৰি কৰি তাৰ লোভ-লালসাও বাঢ়িল।

এদিন সি আজৰি পৰতে ভাবিলে: বছৰেকত দহ হেজাৰমান সাঁচিব পৰা হৈছোঁ হয়, কিন্তু লাখপতি হওঁতেই মোৰ দেখোন সিপুৰী পাওঁ পাওঁ হ'ব। দহ বছৰৰ পাছতহে মই এলাখমান সঁচিব পাৰিম। তাকো—পাৰিমনে নোৱাৰিম ন-দি কোৱা টান। সদায় সদায় কাৰবাৰৰ গতি-গোত্ৰ একেই হৈ থাকিবনে? এনেকৈ লাখপতি হওঁতে আনকি পঁচিছ বা পঞ্চাছ বছৰো উকলি যাব পাৰে।

আৰু এনেবোৰ কথা ভাবি ভাবি সি ঢৌতে খঁৰ মৰাৰ বুধিকে পাঙিলে। গজপতিয়ে তাৰ কাৰবাৰত অতিপাত লোকচান হোৱাৰ কথা সকলোতে ৰটি ফুৰিলে আৰু পাওনাদাৰ মহাজনহঁতৰ পাওনা টকা পৰিশোধ নকৰি মহাজনহঁতৰপৰা বাৰলৈ লোৱা একলাখ টকা তাৰ মোমায়েক নাগৰাজৰ ওচৰত থৈ দিলে। গজপতিয়ে ভাবিলে: পাওনাদাৰ মহাজনহঁতে মোৰ কৰিবনো কি? মাটি-মোৰ মোৰ নামত, কিন্তু বেচাৰ অধিকাৰ নাই, পাওনা দিবলৈও নাই। কেনে মজা!

মহাজনহঁতে এই সাৰকথাটিৰ যেতিয়া গম পালে, তেতিয়া আন উপায় একো

নাপাই গাঁৱৰ জমিদাৰ ডাঙৰীয়াক কথাটো কৈ গজপতিৰ এই অভিনৱ প্ৰতাৰণাৰ বিচাৰ তথা প্ৰতিকাৰৰ বাবে খাটিলেগৈ।

বুদ্ধিৰে কাৰ্য্যসিদ্ধি তথা সমস্যাৰ সমাধান কৰাত গাঁৱৰ বুদ্ধিমান জমিদাৰ ৰামনাৰায়ণ-সিংহদেউৰ খ্যাতি আছিল। তেওঁ ভাবি চালে ঃ গজপতিৰ কাৰবাৰত লোকচান হোৱাৰ সম্ভাৱনা নাই, লোকচানৰ কথা ধুমুৰ মিছা। অধিক নিঃসন্দেহ হ'বলৈ তেওঁ তেওঁৰ চতুৰ গোমস্তা এজনক গজপতিৰ কাৰবাৰৰ ঠাইলৈ পঠিয়াই এইবোৰ খবৰ ছিদাংকৈ পোৱা হ'ল, আৰু তাৰ পাছত গজপতিক মতাই অনাই পাওনাদাৰ মহ-জনহঁতৰ আগত তাক জমিদাৰ ডাঙৰীয়াই সুধিলে, "তুমি চুবুৰীয়া গাঁৱৰ এই মহাজন সকলৰপৰা এক লাখ টকা ধাৰলৈ লোৱা কথা সঁচানে?" জমিদাৰে পুনৰ সুধিলে। হয়, হুজুৰ' সঁচা। মই টকা লোৱা কাগজ-পাতিও এওঁলোকৰ ওচৰত আছে।"

"গজপতি, কাৰবাৰত তোমাৰ লোকচান হোৱাৰ কথা সঁচানে?"

"হয়, হুজুৰ, সঁচা।" গজপতিয়ে ক'লে।

শুনা' তোমাৰ মাটি-বাৰী ঢেৰ আছে—এই বিশ্বাসতহে মহাজসসকলে তোমাক ইমান টকা ধাৰলৈ দিছিল। কথাটো যে সঁচা, তুমি নিশ্চয় মানিবা।" জমিদাৰ ডাঙৰীয়াই পুনৰ ক'লে।

"সঁচা, মোৰ মাটি-বাৰী ঢেৰ আছে। কিন্তু হুজুৰ, মোৰ দেউতাই কৰি থৈ যোৱা দান-পত্ৰৰ মতে—সেই মাটি-বাৰী মোৰ ভোগ কৰাৰ অধিকাৰ থাকিলেও বেচাৰ অধিকাৰ নাই।" গজপতিয়ে দুখ মনেৰে ক'লে আৰু ভূপতিৰ দানপত্ৰখনো তেওঁক তেতিয়াই দেখুৱালে।

ভূপতিৰ দানপত্ৰখন পঢ়াৰ পাছত সেইখন গজপতিক ওভোতাই দি জমিদাৰ ডাঙৰীয়াই ক'লে, "তোমাৰ কথা ঠিক, ময়ো মানি লৈছোঁ। পিছে তুমি মাটি-বাৰী আৰু তোমাৰ ঘৰটোও বন্ধকত থোৱাত

কিন্তু বাধা নাই। গতিকে তুমি তোমাৰ ঘৰটোৰে সৈতে সদায় সা-সম্পত্তি এওঁ-লোকৰ ওচৰত এশ বছৰৰ বাবে বন্ধকত থৈ দিয়া। এশ বছৰৰ অন্তত তোমাৰ সা-সম্পদ তোমাৰ উত্তৰাধিকাৰীয়ে নিশ্চয় ঘূৰাই পাবা।"

জমিদাৰ ডাঙৰীয়াৰ এনে ঠাট্টা কৰা কথা শুনি গজপতিয়ে তাৰ ঘুমটি ঘূৰণ বেমাৰ হোৱা যেন পালে। এনেকৈ গলৰ কথায়েই ভালুক হ'বগৈ জনাহেঁতেন সি ৰাজ গছ মাৰি গোট ল'বলৈ পাং পাতি পাঁজৰ খহা হ'লহেঁতেননে? গজপতিয়ে দমি গৈ খীণ মাতেৰে ক'লে, "হুজুৰ, আমাৰ দেউতাৰ সম্পত্তিখিনিৰ দাম কমেও দহলাখমান হ'ব। একলাখ ধাৰৰ বাবে দহলাখ বন্ধকত থোৱা ঠিক হয়নে নহয়, ন্যায় কাম হয়নে নহয়, হুজুৰেই ভাবি চ'ক।"

জমিদাৰ ডাঙৰীয়াই হাঁহি মাৰি ক'লে, এক লাখ টকা ঋণ হিচাপে লৈ পৰিশোধ নকৰাটোও অন্যায় নহয়নে বাৰু? সা-সম্পত্তিখিনি আইনমতে তোমাৰ নহয় কাৰণে কোনেও তোমাৰপৰা পাওনা উচুল কৰিবও নোৱাৰিব — এই কথা মনত ৰাখিয়েই তুমি নিশ্চয় শিৰ চাই টোকৰ মাৰিছিলা। আৰু তোমাৰ নিচিনা গজমূৰ্খ এটাই নিজে নিজেই এই কাম কৰিছিলা বুলিও মোৰ মনত নধৰে। নিশ্চয় আঁৰত আন কোনোবা থাকিব পায়।"

তেতিয়া গজপতিয়ে কৈ উঠিল, "হুজুৰ, মোক মোৰ মোমায়েই মোটাত পেলাই না মামাৰ ঘৰ না পাকবিৰ তলহেন কৰিলে: এইটো মৰণে মৰা মোমাইৰ বুধিৰেহে মই আও-মৰণে মৰিলোঁ।"

তেতিয়া জমিদাৰ ডাঙৰীয়াই গজপতিৰ মোমায়েক নাগৰাজক মতাই অনাই নাগেৰা পিটা দিয়াৰ ভাবুকিৰে টকাখিনি উদ্ধাৰ কৰি মহাজনসকলৰ পাওনাখিনি দিবলৈ গজপতিক বাধ্য কৰিলে।



দস্যু যুৱৰাজ

৩

মহাৰাজ শান্তিদেৱক হত্যা কৰিবৰ মনেৰে দুষ্টৰো দুষ্ট সেনাপতি বীৰসিংহই ৰাজ-প্ৰাসাদৰ প্ৰাচীৰৰ ওপৰত আত্মৰক্ষাৰ কাৰণে থিয় হৈ থকা মহাৰাজলৈ টোঁৱাই বৰছা নিক্ষেপ কৰিলে। বীৰসিংহৰ লক্ষ্য সদায় অব্যৰ্থ। কিন্তু মহাৰাজ শান্তিদেৱ সেই সুউচ্চ প্ৰাচীৰৰপৰা যেনিবা ভোজবাজীৰ দৰে অদৃশ্য হৈ পৰিল। বীৰসিংহই জাঁপ মাৰি সেই প্ৰাচীৰৰ ওপৰত পৰিছ্ গৈ; কিন্তু মহাৰাজৰ কোনো চিন-মোকাম্ৰে তাত দেখা নাপাই বিস্ময়ত স্তব্ধ হৈ পৰিল। বিভ্ৰান্ত বীৰসিংহই একো ঠাৱৰ কৰিব নোৱাৰি ইফালে-সিফালে তন্ন তন্নকৈ চাবলৈ ধৰিলে; কিন্তু এই ৰহস্যময় ঘটনাৰ আঁতি-গুৰি বিচাৰি নাপাই সেই প্ৰাচীৰৰ কাষেদি সবেগে ফেনে-ফোটোকাৰে বৈ যোৱা নৈলৈ চাই ভাবিলে: মহাৰাজ তেন্তে এই নৈৰ পানীতে ডুবি মৰিলেনে কি? তাৰ পাছত···

●

এনে অন্ধকাৰ সুড়ংগৰ মাজেদি ?

হঠাৎ মহাৰাণীৰ ভৰিত কিবা লাগিল আৰু তেওঁ উজুটি খাই পৰা যেন হ'ল আৰু হাতৰপৰা জোঁৰডাল উফৰি পৰিল। আৰু নুমাই গ'ল। তেতিয়া তাত কেৱল অন্ধকাৰ। সীমাহীন অন্ধকাৰ।

অলপ সময়ৰ অন্তত মহাৰাণীয়ে অন্ধকাৰত মনিব পৰা হ'ল। বহু দূৰত তেওঁ এক বিচিত্ৰ পোহৰ দেখা পালে। এই পোহৰলৈ লক্ষ্য কৰি কৰি তেওঁ এখুজি-দুখুজিকৈ আগুৱাই গৈ থাকিল। সুড়ংগৰ বাটৰ কাষত থকা মণিবোৰৰপৰাও বিচিত্ৰ পোহৰ ওলাইছিল আৰু এই পোহৰেই মহাৰাণীক আগবাঢ়ি যাবলৈ সহায় কৰিছিল।

শিশুপুত্ৰটি সাৰ পাই উঠিল আৰু কান্দিবলৈ ধৰিলে। মহাৰাণীয়ে শিশু-পুত্ৰটিক বুকুৰ সৈতে কটকটীয়াকৈ বান্ধি ল'লে আৰু বেগাই খোজ দিবলৈ ধৰিলে। মহাৰাণীৰ এতিয়া একমাত্ৰ লক্ষ্য : যিমান শীঘ্ৰে সম্ভৱ এই অসহনীয় অন্ধকাৰৰপৰা পোহৰলৈ তথা বাহিৰলৈ ওলাব লাগিব।

গৈ গৈ তেওঁৰ সুড়ংগৰ শেষভাগ পালেগৈ। কিন্তু ওলাই যোৱাৰ বাটনো কেনি? তেওঁ বিভ্ৰান্তৰ দৰে ইফালে-সিফালে চাই এচটা বিৰাট শিল দেখা

মহাৰাণীৰ দুচকুৰেদি চকুলো ওলাই আহিল। কোলাত শিশুপুত্ৰটি গভীৰ নিদ্ৰাত আচ্ছন্ন। শিশুটিয়ে যাতে সাৰ পাই নুঠে, তাৰ বাবে মহাৰাণীয়ে অতি সতৰ্কভাৱে সুড়ংগৰ মাজেদি গৈ থাকিল। সুড়ংগৰ ভিতৰত কেৱল দুগজমান বাটহে জোঁৰৰ পোহৰেৰে মনিব পৰা গৈছিল, আন সকলোতে নিমজ অন্ধকাৰ। এই ৰাজ-প্ৰাসাদ পাহাৰক সমতল কৰি তাৰ ওপৰত নিৰ্মাণ কৰা হৈছিল, আৰু সুড়ংগ যে পাথৰ খান্দি খন্দা হৈছিল, তাকো মহাৰাণীয়ে জানিছিল। ৰাণীয়ে গৈ গৈ ভাবিলে : আৰুনো কিমান দূৰলৈ যাব লাগিব

পাই সেই শিলচটাক দেহৰ সৰ্বশক্তিৰে আঁতৰাবৰ চেষ্টা কৰিলে, আৰু তেওঁ সফল হ'ল। তাত তেওঁ আন এটা সুড়ংগ দেখা পালে আৰু সেই সুড়ংগৰ মাজেদি গৈ গৈ অলপ সময়ৰ অন্তত সুড়ংগৰপৰা ওলাই এক অটব্য অৰণ্যৰ সোঁমাজ পালেগৈ।

তেতিয়া জোনাক নিশা। জোনৰ পোহৰেৰে সমগ্ৰ অৰণ্য উদ্ভাসিত হৈ উঠিছিল। মহাৰাণীয়ে শিশুপুত্ৰটিক সাবটি ধৰি মুক্তবায়ুত নিশ্বাস ল'লে। তিমানতে শিশুপুত্ৰটি পুনৰ টোপনিত লাল-কাল কাল দিছিল। পুত্ৰ নিদ্ৰিত হৈ পৰাত ৰাণীয়ে এই কথা ভাবি বৰ ভাল পালে যে সি কান্দি থকাহেঁতেন হয়তো সেই কান্দোনৰ শব্দ শুনি তেওঁক জন্তু-জানোৱাৰে আক্ৰমণ কৰিলেহিহেঁতেন। ৰাণী বৰ তৃষ্ণাৰ্ত হৈ পৰিছিল, কিন্তু এনে অটব্য অৰণ্যখনত ক'তনো পানী বিচাৰিব ?

হঠাৎ বহু দূৰত শিয়ালৰ হোৱা শুনা গ'ল। মহাৰাণীয়ে ভাবিলে ঃ ৰাতি পুৱাবৰ হ'লনে কি ? তেওঁ নিদ্ৰিত শিশুটিক কোলাত লৈ এচটা শিলৰ ওপৰত বহিল। অলপ পাছত—ক'ৰবাত নিজৰাৰ পানী প্ৰবাহিত হোৱাৰ শব্দ উঠাত তেওঁ ইফালে-সিফালে চাবলৈ ধৰিলে আৰু সেই নিজৰা দেখা পালে। তেওঁ শিশুপুত্ৰটিক দলিচা-

হেন কোমল ঘাঁহৰ ওপৰত শোৱাই থৈ নিজৰাৰপৰা পানী খাই আহিল আৰু তাৰ পাছত শিশুপুত্ৰটিক বুকুৰ গাখীৰ খুৱালে।

শিশুপুত্ৰটিয়ে সাৰ পাই উঠি চাই চাই হাঁহি আছিল, আৰু তেতিয়া পূবে ধলফাট দিছিল আৰু লগতে পশু-পক্ষীৰ কলৰৱেৰে অৰণ্যও জাগি উঠিছিল। শিশুপুত্ৰটিয়ে মাকৰ কোলাৰপৰা নামি সৰু সৰু খোজেৰে ইফালে-সিফালে ঘোৰালৈ চাই মহা-ৰাণীয়ে কৈ উঠিল, "বোপা, সেইপিনে নাযাবা। ইয়াত বহাঁহি।"

পুত্ৰটিয়ে মাকলৈ ঘূৰি চালে আৰু এমোকোৰা হাঁহি মাৰি পুনৰ খোজ

বঢ়ালে। মহাৰাণীয়ে পুত্ৰক ধৰি আনিবলৈ বহাৰপৰা উঠি থিয় হোৱাৰ লগে লগে শাৰীৰিক দুৰ্বলতা হেতুকে অকস্মাৎ অচেতন হৈ বাগৰি পৰিল।

"সেই পিনে নাযাবা, বোপা, নাযাবা—।" ইমানকে কৈয়েই ৰাণী অচেতন হ'ল আৰু তেওঁৰ মুখৰপৰা আৰু কোনো মাত নোলোৱা হ'ল।

এই অৰণ্যত বসবাসকাৰী মুনি জয়ানন্দ অন্যান্য দিনৰ দৰেই সূৰ্য্যোদয়ৰ পৰতে নিজৰাৰ পানীতে স্নান কৰিবলৈ ওলাই কোনোবা এটি মানৱশিশুৰ হৰ্ষধ্বনি শুনি আচৰিত মানিলে আৰু চাৰিওফালে চাবলৈ ধৰিলে। তেওঁ অনতিদূৰতে এটি হাঁহি-মুখীয়া শিশুক দেখা পাই ভাবিলে: এই শিশুটিক সাইলাখ দেৱশিশু যেন লাগিছে। ক'ৰপৰানো আহিল? স্বৰ্গৰপৰাই নে?

শিশুটিয়ে এনেকৈ হাঁহি হাঁহি হাত দাঙিছিল, যেনিবা সি কাৰোবাক হাত বাউলেৰে মাতিছেহে। মুনি জয়ানন্দই শিশুটিক হাতেৰে দাঙি ল'লে। শিশুটিৰ ডিঙিত আছিল স্বৰ্ণহাৰ আৰু স্বৰ্ণহাৰৰ লগত পদক এটা ওলমি আছিল। সেই পদকটোত আছিল শুঁৰেৰে পদুম দাঙি লোৱা হস্তীৰ চিত্ৰ। ঋষি জয়ানন্দই ভাবিলে: এই পদকৰ চিত্ৰ নিশ্চয় কোনোবা ৰাজ-পৰিয়ালৰ চিন।

শিশুটিয়ে তাৰ হাতেৰে পশ্চিম দিশলৈ মুনি জয়ানন্দক কিবা যেন দেখুৱাবলৈ চেষ্টা কৰিলে আৰু জয়ানন্দ সেই পিনে আগুৱাই গ'ল।

তাত ঘাঁহৰ ওপৰত মহাৰাণী অচেতন হৈ পৰি আছিল। জয়ানন্দই নিজৰাৰপৰা পানী আনি ৰাণীৰ চকুৱে-মুখে ছটিয়াই চেতনা ঘূৰাই আনিলে।

"আই, তুমিনো কোন?" মুনি জয়ানন্দই ৰাণীক সুধিলে।

"আপুনি মোক আই বুলি সম্বোধন কৰিলেই যেতিয়া, মোক নিজৰ কন্যা

RAZI

বুলিয়েই ভাবি লওক। স্বয়ং ঈশ্বৰেই নিশ্চয় আপোনাক ইয়ালৈ প্ৰেৰণ কৰিছে। মই এই দেশৰে অভাগিনী ৰাণী। আমাৰ প্ৰাসাদ শত্ৰুসৈন্যই আগুৰি ধৰিছে। মোক মোৰ স্বামীয়ে এই শিশুপুত্ৰটিৰ ৰক্ষাৰ্থে এই অৰণ্যলৈ পঠিয়ালে।" ৰাণীয়ে মুনিক ক'লে।

"কালি—যুৱৰাজৰ জন্মোৎসৱ পতা নহৈছিল জানো।" মুনি জয়ানন্দই মহাৰাণীক সুধিলে।

"হয়, মুনিবৰ, শত্ৰুৱে সেই ছেগতে আমাক আক্ৰমণ কৰিলেহি।" ৰাণীয়ে সেহাই সেহাই ক'লে।

"মই সকলো কথা বুজি পাইছোঁ, আই। তুমি অতি দুৰ্বল হৈ আছা, মাত বোল নকৰিবা।" মুনিয়ে ক'লে।

মহাৰাণীয়ে বিমৰিষভাৱে ক'লে, "মোৰ ভয় হৈছে, এতিয়াই সকলো কথা নক'ওঁ যদি আৰু কিজানি মই কেতিয়াও ক'ব নোৱাৰিম। ঈশ্বৰে আমাৰ শিশুপুত্ৰটিক ৰক্ষা কৰিবলৈহে কিজানি আপোনাক এই সময়ত ইয়ালৈ প্ৰেৰণ কৰিছে। এই শিশুৰ ৰক্ষা তথা আমাৰ মহাৰাজৰ কুশল সম্বাদ পাওঁ যদি—মই মৃত্যুকো সাদৰে বৰণ কৰি ল'ম।"

"আই, ঈশ্বৰৰ অনুগ্ৰহ নহ'লে মই এই সময়ত এই ঠাই ঠাই পাওঁহিনে? আমি মংগলময় ঈশ্বৰৰ ওচৰলৈ প্ৰাৰ্থনা জনাওঁ—তেওঁ মহাৰাজক ভালে-কুশলে ৰাখে যেন। এতিয়া তাতকৈ অধিক আমি আৰু একো কৰিব নোৱাৰিম। সকলো ঈশ্বৰৰে কৃপা।" মুনি জয়ানন্দই ৰাণীক ক'লে।

মহাৰাণীয়ে অতি মধুৰভাৱে নীৰৱে হাঁহিলে, আৰু তেওঁ চকুযুৰি অকস্মাৎ মুদ খাই পৰিল। মুনি জয়াদন্দই পৰীক্ষা কৰি এই কথাটি স্পষ্টকৈ বুজি পালে যে—মহাৰাণীৰ মুদ খোৱা চকুযুৰি আৰু কাহানিও মেল নাখাব। [আগলৈ]

লোভ-চক্ৰৱৰ্তী

প্ৰতিজ্ঞাবদ্ধ
ৰজা বিক্ৰমাদিত্য
পুনৰ সেই বিশেষ
গছজোপাৰ ওচৰলৈ উভতি
গ'ল আৰু গছৰ ডালত ওলমি
থকা প'টো নমাই আনি কান্ধত পেলাই
লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ
থাকিল। তেতিয়া শৱ মাজত থকা
কৈ উঠিল, "হে ৰজা, বিৰাট ৰাজ্য এখনৰ
ৰজা এগৰাকী হোৱা সত্বেও তুমি যেনেকৈ
শ্ৰম কৰি আছা' যি বাস্তৱিকতে এক
নাভূত-নাশ্ৰুত কথা। যি কি নহওক,
মই আজি তোমাক অন্য এগৰাকী
বিক্ৰমৰ কথা কওঁ শুনা। এই কাহিনী
শুনি শুনি গৈ থাকিলে আন নহ'লেও
তোমাৰ পথশ্ৰম কথঞ্চিত লাঘৱ হ'ব।"
এই বুলি কৈয়েই বেতালে ক'বলৈ ধৰিলে :

'বেতাল-কথা'

ময়ূৰীৰাজ্যৰ কান্তিপুৰ নাম সৰু গাঁও এখনত ধৰ্মদাস নামৰ এজন খেতিয়ক আছিল। ধৰ্মদাসৰ একমাত্ৰ পুত্ৰ বিক্ৰমৰ পঢ়া-লিখালৈ বৰ অনিচ্ছা। কিন্তু তাৰ মাকে যেতিয়া নানা ধৰণৰ সাধুকথা কথাকয়, বিক্ৰমে মন-পুতি শুনে আৰু মন-চিতে বিশ্বাস তৰে যে—মাকে কোৱা মতে পাহাৰে-অৰণ্যে থকা সাধু-সন্ন্যাসীসকলে সঁচাসঁচিকৈ মন্ত্ৰেৰে যিকোনো অসাধ্য কামো সাধিব পাৰে।

পুতেকৰ এইবোৰ ভাব-ভংগীলৈ মন কৰি এদিন ধৰ্মদাসে তাক ক'লে, "বোপা, তোমাৰ বয়সে বৈ থকা নাই, বাঢ়িছেহে। কিন্তু তুমি একেবাৰে পঢ়া-লিখা নকৰা মূৰুখটো হৈ থাকিলা। গতিকে—মোক মোৰ খেতি-বাতিৰ কামতে সহায় কৰা। আজি ভেড়াবোৰকে চৰাবলৈ লৈ যোৱা।"

দেউতাকৰ কথা মতে বিক্ৰমে ভেড়া এজাক লৈ গ'ল চৰাবলৈ। জংগলৰ ওচৰত চৰণীয়া পথাৰত ভেড়াবোৰক মেলি দি সি গছ এজোপাৰ ছাঁত শুই টোপনিত লাল-কাল দিলে। যেতিয়া সি টোপনিৰ-পৰা জাগি উঠিল, তেতিয়া তাত এটা ভেড়াকো নেদেখি ভেড়াবোৰক বিচাৰি জংগলৰ ভিতৰলৈ সোমাই গ'ল আৰু এজোপা বিৰাট বিৰিখৰ তলত তপস্যা কৰি থকা সাধু এগৰাকীক দেখা পালে।

এই সাধুজনৰ নাম আছিল সদানন্দ-স্বামী। এখোজ-দুখোজকৈ বিক্ৰম সদানন্দ-স্বামীৰ কাষ চাপিল। সদানন্দস্বামীয়ে বিক্ৰমক সুধিলে. "বোপা, এনে গহীন বনত কিয় সোমাইছাহি ?"

"হে প্ৰভু ! মই এজাক ভেড়া চৰিবলৈ মেলি দিছিলোঁ. আৰু পাছত টোপনি-গতুৱা হৈ পৰিছিলোঁ। টোপনিৰপৰা সাৰ পাই তাত এটা ভেড়াকো দেখা নাপাই সেইবোৰক বিচাৰি বিচাৰিয়েই এক জংগল পাইছোঁহি।" বিক্ৰমে ক'লে।

সাধু সদানন্দস্বামীয়ে মুহূৰ্তমানৰ বাবে চকু মুদিলে আৰু পাছত চকু মেলি বিক্ৰমক

ক'লে, "তোমাৰ ভেড়াবোৰ নিৰাপদে ঘৰ পালেগৈ, চিন্তা নকৰিবা। আৰু তুমিও—হিংস্র জন্তু-জানোৱাৰেৰে পৰিপূৰ্ণ এই বন এৰি এতিয়া ঘৰলৈ যোৱা। এই ৰুদ্ৰাক্ষৰ মালাডাল হাতত লৈ যাবা, তেতিয়া তোমাক আৰু কোনো জন্তু-জানোৱাৰে আক্ৰমণ নকৰিব।"

ৰুদ্ৰাক্ষৰ মালাডাল হাতত লৈ বিক্ৰমে সাধু সদানন্দস্বামীক ক'লে, "হে প্ৰভু, আপোনালোকে যে অসাধ্য সাধন কৰিব পাৰে, সেই কথা মই মোৰ মাৰ মুখৰপৰা সদায় শুনি আহিছোঁ। পঢ়া-লিখাত মোৰ একেবাৰে মন নবহে। দয়া কৰি যদি মোক কিবাকিবি মন্ত্ৰ শিকাই দিয়ে ময়ো ডাঙৰ মানুহ হ'ব পাৰোঁ।"

"বৎস, কানো যদি ডাঙৰ হ'বলৈ ইচ্ছা কৰে তেনেহ'লে — মন্ত্ৰতকৈ স্বাৱলম্বনেই অধিক ভাল। তুমি পঢ়া-লিখা কৰি থাকাগৈ। অকলেই এনেকৈ গহীন বনলৈ আহিব পৰা হৈছে, জীৱন যুদ্ধতো জয়ী নোহোৱাৰ কোনো কাৰণ নেদেখোঁ।" সাধুৱে বিক্ৰমক উৎসাহিত কৰিলে।

তাৰ পাছত বিক্ৰম সঁচাসঁচিকৈ পঢ়া-লিখাত মনপুতি লাগিল বিক্ৰমে প্ৰচণ্ড অধ্যৱসায়ৰে তাৰ পোন্ধৰ বছৰ বয়সতে প্ৰায় সমস্ত শাস্ত্ৰত জ্ঞান আৰ্জিলে।

তাৰ পাছত বিক্ৰম এদিন পুনৰ সেই অৰণ্যলৈ গ'ল আৰু সাধু সদানন্দস্বামীক সাষ্টাংগে প্ৰণাম কৰি ক'লে, "প্ৰভু, আপোনাৰ উৎসাহ পাই মই বেদ-পুৰাণ আদি সমস্ত শাস্ত্ৰ অধ্যয়ন তথা অধিগত কৰিলোঁ। কিন্তু মই যে কিয় তথাপি সন্তুষ্ট হ'ব পৰা নাই, বুজা নাই। মোৰ ধাৰণা হৈছে—জীৱনত সফলতা আৰ্জিবলৈ কেৱল শিক্ষায়েই পৰ্য্যাপ্ত নহয়।"

সাধু সদানন্দস্বামীয়ে মূৰ দুপিয়াই ক'লে, "তোমাৰ ধাৰণা ঠিক। ক্ষাত্ৰ-বিদ্যাও জীৱনত আহৰণ কৰা আৱশ্যক। তুমি আম্ৰপালিনগৰলৈ যোৱা, তাতৰীব

জ্বালামুখী নামৰ এজন মানুহ আছে, মোৰ কথা কোৱাগৈ তেওঁক তেওঁ তোমাক যুদ্ধবিদ্যা তথা অস্ত্ৰ-চালনা শিকাই দিব।"

বিক্ৰম আম্ৰপালিনগৰলৈ গ'ল আৰু আৰু সাধু সদানন্দৰ কথা শুনি বীৰ জ্বালামুখীয়ে তাক শিষ্য হিচাপে ল'লে। বীৰ জ্বামুখীয়ে বিক্ৰমক নানা ধৰণৰ অস্ত্ৰ-চালনা তথা যুদ্ধবিদ্যা শিকালে।

তেতিয়া ৰত্নভূষণ নামৰ ডাঙৰ জমিদাৰ এৰাকীয়ে বিক্ৰমক মতাই নি তাক ক'লে, "বিক্ৰম, তোমাৰ গুণৰ কথা তোমাৰ গুৰু জ্বালামুখীৰপৰা মই সদায় শুনি আহিছোঁ। মই তোমাক মোৰ দেহৰক্ষী হিচাপে লওঁ যদি—তুমি সেই কামত সন্মত হ'বানে?"

বিক্ৰমে তৎক্ষণাৎ সন্মতি দিলে। আৰু তাৰ পাছত সাধু সদানন্দস্বামীক ক'লেগৈ, "প্ৰভু, মই এগৰাকী জমিদাৰৰ দেহৰক্ষীৰ কাম ল'লোঁ। এই কাম মোৰ উপযুক্ত নহয় বুলি জানিও যে কামটো ল'লোঁ-- তাৰ কাৰণ হ'ল—কাষ চপা সুযোগ গ্ৰহণ নকৰাটো ঠিক নহ'ব বুলি মোৰ ধাৰণা হৈছিল। এই কামকৰি থাকোঁতেই মোৰ জীৱনত অন্য ডাঙৰ সুযোগ আহিব বুলি মোৰ দৃঢ় ধাৰণা হৈছে। প্ৰভু, মোৰ ধাৰণাৰ গুৰিত কিবা সত্যতা আছেনে?"

সাধু সদানন্দই ক'লে, "তোমাৰ ধাৰণা, সঠিক। মই তোমাক আশীৰ্বাদ কৰিছোঁ; তুমি এই পদতকৈও উচ্চ পদ পাবা।" সাধু



সদানন্দই উৎসাহ প্ৰদান কৰিলে।

সুমন্তদের আছিল ময়ূৰনগৰৰ মহামন্ত্ৰী। মন্ত্ৰী সুমন্ত আছিল জমিদাৰ ৰত্নভূষণৰ পৰম বন্ধু। এদিন সুমন্ত ৰত্নভূষণৰ ঘৰলৈ আহিল আৰু ইকথা-সিকথাৰ মাজত ক'লে, "আমাৰ ৰাজ্যৰ আৰ্থিক পৰিস্থিতি বৰ বেয়া হৈ পৰিছে। ৰাজকোষ প্ৰায় শূন্য।. প্ৰজাবৰ্গৰপৰা অধিক কৰ-কাটল নল'লে আৰু উপায় নাই ; কিন্তু মহাৰাজে প্ৰজাবৰ্গক কৰৰ হেঁচাৰ মাজত পেলাব নোখোজে। কী যে উপায় কৰিম— একো ঠাৱৰ কৰিব পৰা নাই।"

মহামন্ত্ৰীৰ কথাখিনি বিক্ৰমেও শুনি আছিল। বিক্ৰমে বিনম্ৰতাৰে মহামন্ত্ৰী সুমন্তক ক'লে, "মহামন্ত্ৰী, আপুনি যদি অপৰাধ নলয়, মই এটা উপায় দিব পাৰোঁ, যিটো উপায়েৰে প্ৰজাবৰ্গৰ ওপৰত নতুনকৈ কৰ-কাটল জাপি নিদিয়াকৈয়েই ৰাজকীয় ধন-ভঁৰাল অতি সহজতে টনকিয়াল কৰিব পাৰিব।"

"কিনো সেই উপায়?" মহামন্ত্ৰীয়ে আচৰিত মানি বিক্ৰমক সুধিলে।

"আমাৰ ৰাজ্যত অসংখ্য ব্যৱসায়ী আছে—যিসকলে সাগৰ পাৰ হৈ বেহা-বেপাৰ কৰে। তেওঁলোকৰপৰা ঠিকমতে শুল্ক আদায় কৰিব পাৰিলেই এই সমস্যা সমাধানৰ উপায় ওলাব।" বিক্ৰমে সহজেই মহামন্ত্ৰী সুমন্তক ক'লে।



মহামন্ত্ৰী সুমন্তই বিক্ৰমৰ এই প্ৰস্তাৱৰ শলাগ লৈ ক'লে, "এই কথালৈ আনকি ময়ো মন কৰা নাছিলোঁ। বিক্ৰম, তোমাৰ এই প্ৰস্তাৱ বাস্তৱিকতে অভিনৱ।" তাৰ পাছত তেওঁ ৰত্নভূষণক ক'লে, "মিত্ৰ, তুমি—বিক্ৰমক মোক দিবানে? ইমান বুদ্ধিমান বিক্ৰমক মই মোৰ প্ৰধান পৰামৰ্শদাতা পাতিম।"

ৰত্নভূষণ মহামন্ত্ৰীৰ কথাত সন্মত হ'ল।

এইবোৰ বৃত্তান্ত বিক্ৰমে সাধু সদানন্দ স্বামীক ক'লেগৈ। শুনি, সদানন্দস্বামীয়ে বিক্ৰমক ক'লে, "তুমি নিজৰ বুদ্ধি তথা কৰ্মকুশলতাৰে উচ্চপদ পালা। ইয়াকে প্ৰকৃত স্বাৱলম্বন বোলে।"

কিছুদিনৰ পাছৰ কথা। এদিন ময়ুৰ-নগৰৰ ৰাজসভালৈ দুষ্টমুখ নামৰ ভয়ংকৰ তান্ত্ৰিক এটাই মহাৰাজ মঞ্জুনাথৰ কাষ চাপিল আৰু ক'লে, "মহাৰাজ, সমগ্ৰ পৃথিৱীত আপোনাৰ কন্যাৰ মান ৰূপহী নাই, আৰু মোৰ সমান বীৰ নাই। আপুনি আপোনাৰ কন্যাক মোৰ হাতত সমৰ্পণ কৰক।"

মহাৰাজ মঞ্জুনাথে তৎক্ষণাৎ তৰোৱাল উলিয়াই সিংহাসনৰপৰা নামি আহিল, আৰু দুষ্টমুখে অট্টহাঁহিৰে ৰাজসভাই কঁপাই তাৰ হাতত থকা দণ্ড শূন্যত ঘুৰাই থাকিল। লগে লগে মহাৰাজ মঞ্জু নাথৰ সোঁভৰি আৰু সোঁহাত সম্পূৰ্ণ অৱশ হৈ পৰিল, আৰু তেওঁ মজিয়াত বাগৰি পৰিল।

তান্ত্ৰিক দুষ্টমুখে ৰাজসভাস্থ সকলোটিলৈ চাই ক'লে, "তোমালোকৰ মাজত কোনোবা যদি মোৰ বিৰুদ্ধে হাত দাঙিছা, বা মোক বাধা দিবলৈ চেষ্টা কৰিছা তাৰো এই অৱস্থা হ'ব।" এই বুলি কৈ দুষ্টমুখে ৰাজকুঁৱৰী স্বয়ংপ্ৰভাক লৈ নোহোৱা হৈ গ'ল।

পাছত ৰজাই ঘোষণা কৰিলে যে যিজনে ৰাজকুঁৱৰীক এইটো দুষ্ট তান্ত্ৰিক দুষ্টমুখৰ কবলৰপৰা উদ্ধাৰ কৰি আনিব,

সেইজনকে ৰাজকুঁৱৰীক আৰু লগতে ৰাজসিংহাসনো প্ৰদান কৰা হ'ব।

বিক্ৰম পুনৰ অৰণ্যলৈ গ'ল আৰু সাধু সদানন্দস্বামীৰ কাষ চাপিল।

সাধু সদানন্দই ক্ষন্তেকৰ কাৰণে চকু মুদি ধ্যান কৰিলে আৰু তাৰ পাছত চকু মেলি চাই ক'লে, "শুনা, তোমাৰ জীৱনত এয়া এক পৰম সুযোগ। দুষ্টমুখ হ'ল ঘোৰ মায়াবী তান্ত্ৰিক। তাৰ আগত তিষ্ঠিবপৰা মানুহ নাই। দুষ্টমুখ দণ্ডকবনত এটা গুহাৰ ভিতৰত থাকে। তুমি তাক পৰাজিত কৰাগৈ, মই আশীৰ্বাদ কৰিছোঁ, তুমি সফল হোৱা।"

বিক্ৰম দণ্ডকবনলৈ গ'ল আৰু তাত দুষ্টমুখৰ গুহা বিচাৰি উলিয়াই গুহাৰ নিচেই ওচৰত এজোপা বিৰাট বৃক্ষৰ আঁৰত ধনু-কাঁড় হাতত লৈ ৰৈ থাকিল।

অলপ সময়ৰ পাছত তান্ত্ৰিক দুষ্টমুখ গুহাৰপৰা ওলাই নিজৰাৰ পিনে গৈ থাকিল আৰু লগে লগে বিক্ৰমে দুষ্টমুখলৈ টোঁৱাই বিহকাঁড় এৰি তাক মুহূৰ্ততে মাৰি পেলালে।

তান্ত্ৰিক দুষ্টমুখৰ মৃত্যু হোৱাৰ মুহূৰ্ততে মহাৰাজ মঞ্জুনাথৰ অবশ হৈ পৰা হাতভৰি পুনৰ ভাল হৈ গ'ল আৰু বিক্ৰমেও বিক্ৰমৰে ৰাজকুঁৱৰী স্বয়ংপ্ৰভাক লগত ৰাজ অন্তেষপুৰ পালেগৈ।

কেইদিনমানৰ পাছত মহাৰাজ মঞ্জুনাথে বিক্ৰমৰ সৈতে ৰাজকুঁৱৰীৰ বিবাহ পাতিলে আৰু লগে লগে ৰাজ্যৰ ৰাজসিংহাসনো অৰ্পিলে।

সিংহাসনত অধিষ্ঠিত হৈয়েই ৰজা বিক্ৰমে প্ৰতিবেশী ৰাজ্যখন অধিকাৰ কৰিবলৈ সংকল্প কৰি সাধু সদানন্দস্বামীৰ কাষ চাপিলে আৰু ভক্তিপূৰ্ণভাবে প্ৰণাম কৰি ক'লে, "প্ৰভু, আপুনি মোক সদায় উন্নতিৰ জখলা বগাবলৈ উৎসাহ দি আহিছে; এতিয়া — মই মোৰ প্ৰতিবেশী ৰাজ্য অধিকাৰ কৰি ৰাজ-

চক্রৱর্তী হ'বলৈ মন মেলিছোঁ। দয়া কৰি মোক আশীৰ্বাদ কৰক।"

সাধু সদানন্দস্বামীয়ে ক্রুদ্ধ হৈ ৰজা বিক্রমক ক'লে, "বিক্রম, এনে মূৰ্খ-চিন্তা কদাপি মনতো নানিবা। যি পাইছা, তাৰে তুষ্ট হৈ থাকাঁ। অধিক লোভেই অধিক্ষ সৰ্বনাশ হয়। লোভ-চক্রৱর্তী নহ'বা।"

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্রমাদিত্যক সুধিলে, "হে ৰজা, সাধু সদানন্দই দেখোন উচ্চতকৈয়ো উচ্চপদ পাবলৈ বিক্রমক সদায় উৎসাহিত কৰিছিল। কিন্তু বিক্রম ৰাজ-চক্রৱর্তী হোঁৱাৰ বাটত তেওঁ বিঘি পথালি দিছিল কিয়? ঈৰ্ষা নে অসহনি—সাধু সদানন্দৰ মনত কি আছিল? সাধু সদানন্দ ক্রুদ্ধ হোৱাত বিক্রমেইবা ৰাজ-চক্রৱর্তী হোৱাৰ সংকল্প পৰিত্যাগ কৰিছিল কিয়? সাধু সদানন্দই তেওঁৰ মন্ত্ৰশক্তিৰে কিবা অনিষ্ট কৰিব পাবে—এই সন্দেহতে বিক্রমে সংকল্পৰপৰা হেঁাহকা দিছিলনে? মোৰ এই প্ৰশ্নৰ উত্তৰ জানিও যদি সঠিককৈ নিদিয়া, তেনেহ'লে তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্রমাদিত্যই ক'লে, "প্ৰত্যেক মানুহৰে উন্নতিৰ সীমা আছে, আৰু সীমাৰ ভিতৰত সকলো সুন্দৰ; কিন্তু সীমা অতিক্ৰম কৰিলেই সেই সৌন্দৰ্য্য নোহোৱা হয়। বিক্রমৰ ৰাজ-চক্রৱর্তী হোৱাৰ সংকল্পই যুদ্ধ তথা মৃত্যুক আহ্বান কৰি আনিলেহেঁতেন। এই কাৰণেই সাধু সদানন্দই বিক্রমক গৰিহণা দিছিল আৰু বিক্রমেও এই কথা উপলব্ধি কৰিয়েই সংকল্প পৰিত্যাগ কৰিছিল—সাধুৰ মন্ত্ৰশক্তিৰ ভয়তে নহয়, গগনচুম্বী লোভজনিত সৰ্বনাশৰ ভয়ত।"

বিক্রমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

মানৱ-মহামানৱ

ৰামবৰ্মাৰ একমাত্ৰ পুত্ৰ নাগবৰ্মাৰ স্বভাৱ-চৰিত্ৰ বেয়া নহয়; পিছে-কিছু চেলচেলীয়া-বিধৰ। মুখত যি আহে কৈ দিয়ে।

এবাৰ সিহঁতৰ দূৰ সম্পৰ্কৰ আত্মীয় শূৰবৰ্মা সিহঁতৰ ঘৰলৈ আহিল। নাগবৰ্মাৰ সৈতে নিজৰ ছোৱালীজনীৰ যোৰা পাতি দিব বুলি শূৰবৰ্মাই মনতে পাঙি থৈছিল। শুনি নাগবৰ্মাই কৈ উঠিল, "হেৰি, কি বোলেনে—আপোনাৰ ছোৱালীজনী বাৰু দেখনে-দৰ্পণে আপোনাৰ দৰেইনে কি?"

শূৰবৰ্মায়ো কৈ উঠিল, "ভয় নকৰিবা। আমি হ'লোঁ—তোমালোকৰ দূৰ-সম্পৰ্কীয়। আমাৰ ছোৱালী দেখন-দৰ্পণে তোমালোকৰ লগত একেবাৰে নিমিলে।"

শূৰবৰ্মাই যে এনেকৈ মুখত কোবাৰ ঘূৰাই ধৰিব বুলি নাগবৰ্মাই কল্পনাও কৰিব পৰা নাছিল। সি দমদমাই উঠি ক'লে, "আমি দেখাত যেতিয়া ইমানেই বেয়া, কিয়নো ছোৱালী দিবৰ কাৰণে আহিছে?"

নাগবৰ্মা তাৰপৰা ওলাই গ'ল আৰু সি তাৰ মাকক ক'লেগৈ "মা, নিজৰ ছোৱালীক উপযাচি দিবলৈ অহাৰ ইমানেইনে অহংকাৰ! তুমি তেওঁক কৈ দিয়া, কোনো অৱস্থাতেই মই কোনো-কাহানিও এনেবোৰ অণহে বণহক খোৰা-বোৰৰ ছোৱালী-তোৱালী নলওঁ।"

মাকে নাগবৰ্মাক বুজনি দি ক'লে, "বোপা, তুমি যদি আমাৰ কুটুমহঁতক এনেকৈ কচু-খোঁচা দি থাকা, তেনেহ'লে আমি এনে চালে চকু বৈ যোৱাবিধৰ, ইমান দেখন-শুনন বোৱাৰী আন এজনী ক'তনো বিচাৰি পাম?"

"ঠিক আছে—তোমালোকৰ কুটুম তোমালোকৰ নিদানকালৰ হৈ থাকক। মই এনেবোৰ কুটুমৰ ছোৱালী বিয়া কৰোৱাত নাই। কৈছোঁ যি কৈছোঁ, মোৰ কথা শিলৰ ৰেখা, ধাম লৰিলেও সূচী নলৰিব।" নাগবৰ্মাই একেবাৰে নাম-খাৰিজ কৰিলে।

উপায় নেদেখি নাগবৰ্মাৰ মাকে কথাটো গিৰিয়েক ৰামবৰ্মাক ক'লেগৈ আৰু শুনি অবাক মানি ৰামবৰ্মাই সকলো কথা শূৰবৰ্মাক ক'লেগৈ।

শূৰবৰ্মাই নাগবৰ্মাক ক'লেগৈ, "মোৰ ছোৱালীজনীক তুমি একোপধ্যে বিয়া নকৰাবা বুলি শুনিলোঁ। কিন্তু—কাৰণটো কি জানিব পাৰোঁনে?"

"আপুনি মোক অপমান কৰিছে, বছ, এয়ে যথেষ্ট কাৰণ।"

"নহয়, মই তোমাক কেতিয়াও অপমান নাই কৰা। তুমিও ধেমালি কৰিছিলা, ময়ো। কথা ইমানেই। তোমাক যদি ইমানেই অপছন্দ আমাৰ, —কিয়নো আহিলোঁ তেন্তে তোমালোকৰ ঘৰলৈ?" অভিজ্ঞ শূৰবৰ্মাই নাগবৰ্মাৰ ততত মাৰিলে।

আনকি ধেমালিৰ ছলতো মই অপমান নসহোঁ।" নাগবৰ্মাই গৰম হৈ ক'লে।

"তেনেহ'লে—তুমিওবা কিয় অপমান কৰিছিলা মোক? মোৰ লগত তো



ধেমালি কৰিছিলা তুমি?" শূৰবৰ্মাই ক'লে, "মই তোমাতকৈ বয়সতো ডাঙৰ। তুমি যদি মোৰ সৈতে ধেমালি-ধুমুলা কৰিব পাৰা—মই তোমাৰ লগত ধেমালি কৰিলেহে জগৰ লাগিব নে?"

"অ'—কথা এয়ে! মই সেইবোৰ ধেমালিৰ কথা তেতিয়াই মনৰপৰা মচি পেলালোঁ। ধেমালিক মই মনৰ ভঁৰালত সাঁচি নথওঁ নহয়? সেই স্বভাৱ মোৰ নাই।" নাগবৰ্মাই নল-জোৰা দিলে।

"তুমি মোৰ লগত ধেমালি কৰি মনৰপৰা মচি পেলালা, ভাল কৰিলা; কিন্তু মোৰ ধেমালিখিনি সাঁচি থ'লা কেলেই? সেইখিনিও মচি পেলোৱা।" শূৰবৰ্মাই শিৰ চাই টোকৰ মাৰিলে।

"অতি সৰু কথাৰেও ততত মাৰিলে জীৱনতো নোপাহৰোঁ মই। যেই কি নহওক—আমাৰ মতৰ মিল নহ'ব। আপুনি এতিয়া—যাওকগৈ।" নাগবৰ্মাই শূৰবৰ্মাক ক'লে।

শূৰবৰ্মাই তেতিয়া বুজানি দিয়াৰ সুৰত ক'লে, "শুনা, চক্ৰধৰপুৰত সংযম নামৰ এগৰাকী অতি জ্ঞানী মানুহ আছে। তেওঁৰ নাম নজনা মানুহ নাই। তেওঁৰ আৰু তোমাৰ মাজত প্ৰচুৰ মিল। অথচ—তুমি কিয় সাধাৰণ আৰু তেওঁ কিয় অসাধাৰণ তথা মহামানৱ হ'ল তাকেহে বুজা নাই। তোমাৰ লা-লক্ষণ তেওঁৰ

লা-লক্ষণ হুবহু এক। অথচ—ইমান যে প্ৰভেদ! কিয় সেই মহামানৰৰ তুলনাত তুমি ইমাত সাধাৰণ মানৱ—সেই কথা জনাৰ চেষ্টা কৰা আৰু মহামানৱ হ'বলৈকো চেষ্টা কৰা।" এই বুলি কৈয়েই শূৰবৰ্মা তাৰপৰা গুচি গ'ল।

শূৰবৰ্মা গ'ল; কিন্তু নাগবৰ্মাৰ ততত মাৰি গ'ল। নাগবৰ্মাই পাছদিনাই চক্ৰধৰপুৰলৈ গ'ল আৰু মহামানৱ তথা মহাজ্ঞানী সংযমৰ ওচৰত সকলো ঘটনা বিবৰি ক'লে।

মহামানৱ সংযমৰ অপাৰ ধন-সম্পদ। তেওঁৰ পত্নী-পুত্ৰ-কন্যাও আছে, আছে প্ৰচুৰ লগুৱা-লিগিৰী।

নাগবৰ্মাই সংযমক ক'লে, "শূৰবৰ্মাই ক'লে যে আপোনাৰ আৰু মোৰ মাজত যে মিল, তথাপি আপুনি মহামানৱ আৰু মই সাধাৰণ মানৱ মাথোন হৈ আছোঁ। অনুগ্ৰহ কৰি এই ৰহস্যৰ কথা মোক নিখচিকৈ বুজাই ক'বনে?"

সংযমে মৃদুকৈ হাঁহি মাৰি নাগবৰ্মক ক'লে, "বৎস, তোমাৰ সেই আত্মীয়জনে মিছা কথা কোৱা নাই এই কথা সঁচা যে, আমাৰ দুয়োজনৰ গাতে একেইবোৰ গুণ আছে; কিন্তু তথাপি অলপ প্ৰভেদ আছে। তুমি আনৰ ক্ৰুটি মনিব পাৰা, কিন্তু নিজৰ ক্ৰুটি মনিব নোৱাৰা। এইখিনিতেহে তোমাৰ-মোৰ মাজত পাৰ্থক্য। নহ'লে—আমি একেই। আৰু —নিজৰ বেলি আতিপাতি পৰৰ বেলি চুৱা মাটি—হ'লে সদায়েই নিজৰ মঙহ নিজে খাব লাগিব। মোৰ কথাখিনি বুজি পালানে?"

তেতিয়াহে নাগবৰ্মাৰ জ্ঞানোদয় হ'ল যে অন্তৰখন মহান নহ'লে মহামানৱ হ'ব নোৱাৰি। নাগবৰ্মাই শূৰবৰ্মাৰ ওচৰত ক্ৰুটি স্বীকাৰ কৰাৰ উপৰিও শূৰবৰ্মাৰ ছোৱালীজনীকো বিয়া কৰাইছিল।



চান্দমামা-ক্রোড়পত্র-১৩

জ্ঞান ভাণ্ডাৰ

তেওঁ কোন ?

প্ৰাচীনকালত ডেল্‌ফি নগৰৰ পূজাৰীয়ে ভৱিষৎ ঘটনাৰ কথা ক'ব পাৰিছিল। এবাৰ লিডিয়াৰপৰা দূত এজন ডেলফিলৈ বুলি ৰাওনা হ'ল। লিডিয়াৰ ৰজাই ডেলফি নগৰৰ এই পূজাৰীৰপৰা তেওঁৰ ভৱিষ্যৎ জানিবলৈ এই দূতক ডেলফিলৈ পঠাইছিল।

কিবা কাৰণত পূজাৰীয়ে ক্ৰুদ্ধ হৈ লিডিয়াৰ দূতক অপমান কৰাত দূতে পূজাৰীক ক'লে যে—দূত হ'ল অতিথি। উদাহৰণস্বৰূপে দূতে গৰুড়ে শহা এটাক ধৰিবলৈ খেদি গৈ থকাত শহাটোৱে গৰুড় কবলৰপৰা ৰক্ষা পাৰিবলৈ এটা পোক-অৰ আশ্ৰয় লৈছিল। এই পোকটোৱে শহাটোৰ এৰি দিবলৈ গৰুড়ক খাটিলে। কিন্তু গৰুড়ে পোকটোৰ খাটনি-লোটনিলৈ কাণ নিদিলে আৰু শশাটোক ধৰি লৈ যোৱাৰ পাছত খাই পেলালে। এই ঘটনাৰ পাছৰপৰা গৰুড়ে কণী দিয়া মাত্ৰেই পোকটোৱে সেই কণীবোৰ তললৈ পেলাই নষ্ট কৰি থাকিল। তাৰ পাছত গৰুড়ে বুধৰ কোলাত কণী দিবলৈ ধৰিলে। কিন্তু তথাপি পোকটো নিৰস্ত ন'হল।

তাৰ পাছত গৰুড়ে বুধক শহাক মাৰি পেলোৱাৰ ঘটনাৰ কথা কোৱাত বুধে ক'লে যে গৰুড়েই অন্যায় কৰিছিল, আৰু পোকটোৰ এই প্ৰতিশোধ গ্ৰহণ ঠিকেই হৈছে।

এই কাহিনী শুনাৰ অন্তত পূজাৰী অধিক ক্ৰুদ্ধ হ'ল আৰু এই দূতকো পাহাৰৰপৰা তললৈ পেলাই মাৰি পেলালে। এই দূত কোন আছিল?

[উত্তৰ ৩৬ পৃষ্ঠাত]

জা না নে ?

১. গোৰা অধিকাৰকাৰী যিদেশী চৰকাৰ কোন চৰকাৰ আছিল ?
২. গোৰা অধিকাৰকাৰী সেনাপতিৰ নাম কি ?
৩. হস্তিনাপুৰ কোনে স্থাপন কৰিছিল ?
৪. ইতিহাসৰ আটাইতকৈ বৃহৎ ভুঁইকঁপ ক'ত আৰু কেতিয়া হৈছিল ?
৫. কোনন নগৰক হেজাৰ কবৰৰ নগৰ বুলি কোৱা হয় ?
৬. সিল মাছে একেৰাহে কিমান দূৰলৈ সাঁতুৰি যাব পাৰে ?

[উত্তৰ ৩৬ পৃষ্ঠাত]

ভাৰত :

অতীতৰ আৰু আজিৰ

মগধ

মগধ হ'ল আমাৰ দেশৰ প্ৰাচীনতম ৰাজ্য-সমূহৰ মাজত এখন উল্লেখযোগ্য ৰাজ্য। মগধৰ উল্লেখ — নামৰ অলপ হেৰফেৰ হোৱা সত্বেও—বেদতো পৰিলক্ষিত হয়।

পুৰাণৰ মতেঃ জৰাসন্ধৰ পিতৃ বৃহদ্ৰথে মগধ ৰাজ্য স্থাপনা কৰিছিল, আৰু এই জৰাসন্ধৰ পুত্ৰই মহাভাৰতত উল্লিখিত যুদ্ধত পাণ্ডৱৰ পক্ষ অবলম্বন কৰিছিল।

বিম্বিসাৰ নামৰ মহাৰজায়ো মগধ শাসন কৰিছিল। বিম্বিসাৰৰ শাসনকালতে মহাবীৰে তাত জৈনধৰ্ম প্ৰচাৰ কৰিছিল। গৌতম বুদ্ধয়ো বৌদ্ধধৰ্ম প্ৰচাৰ কৰিছিল। বিম্বিসাৰৰ সেই মগধ ৰাজ্যয়েই হ'ল আজিৰ পাটনা আৰু গয়া জিলা। বিম্বিসাৰৰ পুত্ৰ অজাতশত্ৰুৱে গংগা আৰু শোণ নদীৰ সংগমৰ ওচৰত পাটলীগ্ৰাম নামৰ দুৰ্গ নিৰ্মাণ কৰিছিল। এই দুৰ্গৰ চাৰিওফালে পৰিব্যাপ্ত নগৰেই আছিল সিদিনাৰ সেই পাটলীপুত্ৰ বা কুসুমপুৰ। এই নগৰ হ'ল আজিৰ দিনৰ পাটনা।

মগধ এক শক্তিশালী তথা ঐশ্বৰ্যশালী ৰাজ্য হিচাপে বিখ্যাত আছিল। সেই কাৰণে, অন্যতম গ্ৰিক সম্ৰাট ছিকন্দৰে [আলেগজাণ্ডাৰ] এই দেশলৈ অভিযান কৰিছিল ; কিন্তু শক্তিশালী মগধৰাজ্য আক্ৰমণ কৰিবলৈ তেওঁ সাহসী নহৈছিল। মগধৰ ৰজাৰ মাজত মৌৰ্য্য চন্দ্ৰগুপ্ত আৰু তেওঁৰ নাতিয়েক সম্ৰাট অশোক বিখ্যাত।

আজিৰ পাটনা হ'ল বিহাৰ ৰাজ্যৰ ৰাজধানী। বুদ্ধ গয়া জনসাধাৰণৰ দৃষ্টিত অতি পবিত্ৰ স্থান। আজিৰ গয়া চহৰতে মগধ বিশ্ববিদ্যালয় অৱস্থিত।

নেমু খোৱাৰ বিশ্বৰেকৰ্ড

গিনিজ বুক অব্ ৰেকৰ্ডছত স্থান লাভ কৰাৰ মনেৰে তিনিটা নেমুক বাৰ টুকুৰা কৰি কোইম্বাটুৰৰ অধিবাসী ২৭ বছৰীয়া পাৰ্থসাৰথিয়ে ১১.২ ছেকেণ্ডৰ ভিতৰত খাই এক বিশ্বৰেকৰ্ড স্থাপন কৰিলে। পাৰ্থসাৰথিৰ বক্তব্য হ'ল এয়ে যে—তেওঁ ইয়াৰ আগতে এই বিষয়ে বিশ্বৰেকৰ্ডৰ অধিকাৰী ববি কেম্প-অক পৰাজিত কৰিলে!



CHANDAMAMA
MAIL-A-TOY
SCHEME

They are Teddy, Wobbit, Father Hare, Jumbo and Bow Wow. The first few toys in the Cuddles collection from Chandamama. And the good news is that you can let them in at the front door. Just write to us and order the prankster(s) you fancy most. Within a month your friendly neighbourhood postman will knock on your door with a gift wrapped Cuddles — just waiting to be let loose. And this is just the beginning. For there's lot more excitement in store from the House of Chandamama.

FIVE LITTLE PRANKSTERS WANT TO GET INTO YOUR HOME.

CHANDAMAMA
MAIL-A-TOY
SCHEME

A special offer for readers of Chandamama only.

Our way of sayi
every bit as spe
Cuddles toy. At
still more you c
become eligible
12 issues and F



A. WOBBIT:
Size : 13.5 inches (height)
Price: Rs. 83.00
Add : Rs. 4.80 General Sales Tax for orders placed within Tamil Nadu.
Rs. 8.30 Sales Tax for orders placed outside Tamil Nadu.

B. TEDDY:
Size : 10.5 inches (height)
Price: Rs. 93.00
Add : Rs. 5.35 General Sales Tax for orders placed within Tamil Nadu.
Rs. 9.30 Sales Tax for orders placed outside Tamil Nadu.

C. JUMBO:
Size : 7 inches (height)
Price: Rs. 68.00
Add : Rs. 3.90 General Sales Tax for orders placed within Tamil Nadu.
Rs. 6.80 Sales Tax for orders placed outside Tamil Nadu.

D. BOW WOW:
Size : 6 inches (height)
Price: Rs. 45.00
Add : Rs. 2.60 General Sales Tax for orders placed within Tamil Nadu.
Rs. 4.50 Sales Tax for orders placed outside Tamil Nadu.

E. FATHER HARE:
Size : 6 inches (height)
Price: Rs. 25.00
Add : Rs. 1.45 General Sales Tax for orders placed within Tamil Nadu.
Rs. 2.50 Sales Tax for orders placed outside Tamil Nadu.

Look out for Mama Hare and Baby Hare in our next offer to complete the Happy Hare Family.

ing you're very special to us is by making you an offer that's ecial. The chance of being the very first people to own a t a price that's — you guessed right — special! And there's an save. On ordering any of the toys here, you automatically e for discounts on subscription to Chandamama. Rs.6 off on Rs.15 off on 24 issues.



C





E

Dear Chandamama,

I have read about your MAIL-A-TOY scheme and have had a good look at the Cuddles range.

Please send me (tick one or more):

☐ Wobbit ☐ Teddy ☐ Father Hare ☐ Jumbo ☐ Bow Wow

I also understand that I can avail a special discount if I subscribe to Chandamama. I would like to subscribe to Chandamama for —

☐ One year (Rs.30 instead of Rs.36)

☐ Two years (Rs.57 instead of Rs.72)

☐ Sorry, I'm not interested in the subscription offer.

Enclosed please find a Postal Order/Money Order for Rs............ drawn in favour of Chandamama Toytronix Pvt Ltd.

CHANDAMAMA
MAIL-A-TOY
SCHEME

I look forward to receiving the toy(s) within a month. I understand that if I am not fully satisfied with the toy(s), I am entitled to a complete refund if I mail it/them back within a week of receiving it/them.

My name: .... Date of birth: ....

Mailing address: ....

....

What are my favourite:

Magazines/Comics : ....

TV Programmes : .... Toys ....

Pastimes : Reading/Toys/Games/TV/Video/Video games/Others : ....

All you have to do is to fill the coupon alongside and mail it to us at Chandamama Toytronix Pvt Ltd, Chandamama Buildings, 188, N.S.K. Salai, Vadapalani, Madras 600 026. Within a month of our receiving your request, you will receive your Cuddles. Just in case you are not fully satisfied, we assure you a complete refund of the price if you mail the toy(s) back to us within a week.

CHANDAMAMA COLLECTION

CUDDLES

Chandamama Toytronix Private Limited,
Chandamama Buildings,
188, NSK Salai, Vadapalani, Madras - 600 026.

Mudra:M:CT:3789



চান্দমামাৰ সম্বাদ-বি-সম্বাদ

স্যুইজাৰল্যাণ্ডৰ মেগিয়াৰ সৰোবৰত পাঁচ বছৰীয়া ল'ৰা এটি দুৰ্ঘটনাৰ কবলত পৰি ডুবিল। তেতিয়া তাত কিছুমানে পানী ডুবাৰ আৰু ভাহি উঠাৰ প্ৰশিক্ষণ লৈ আছিল। তেওঁলোকে ২০ মিনিট ধৰি প্ৰাণান্তকৰ প্ৰচেষ্টাৰে সৰোবৰৰ পানীৰ ৩০ মিটাৰ তলৰপৰা প্ৰায় মৃত অৱস্থাত, অৰ্থাৎ শেষ নিঃশ্বাস লোৱাৰ আগে আগে তাক উদ্ধাৰ কৰি আনিলে।

সাহিত্যলৈ এভুমুকি

১. যি বছৰ শেকছপিয়্যাৰ জন্ম গ্ৰহণ কৰিছিল, সেই একেটা বছৰতে জন্ম গ্ৰহণ কৰা বিখ্যাত ইংৰাজ নাট্যকাৰ কোন আছিল?

২. তেওঁৰ কেতিয়া আৰু কেনেকৈ মৃত্যু হৈছিল?

৩. আত্মঘাতী হ'বলৈ বাধ্য কৰা ৰোমীয় কবি কোন আছিল?

৪. তেওঁক কোনে আৰু কিয় বন্দী কৰিছিল?

৫. ভাৰতৰ বাহিৰত কোনখন দেশৰ নিজস্ব বৰ্ণনাশৈলীৰ ৰামায়ণ আছে?

৬. ছাগা-ৰ অৰ্থ কি?

উত্তৰ

তেওঁ কোন

ঈশ্যপ।

জানানে।

১.পৰ্টুগাল (পোৰ্চগিজ)।

২. অলফনছো-ডা-অলবুকাৰ্ক।

৩. ভৰতৰ পঞ্চম বংশীয় হস্তিন।

৪. ১৩৩৩ চনত, চীনদেশত, এই ভূইকঁপ বিভিন্নভাবে দহ বছৰ ধৰি চলিছিল।

৫. আলজিৰিয়াৰ বল্‌হুড় নগৰ।

৬. পাঁচহেজাৰ মাইললৈকে।

সাহিত্য

১. খ্ৰিষ্ট'ফাৰ মাৰ্লোন, ১৫৬৪ চনত।

২. ২৯ বছৰ বয়সত, এটা কোঠাৰ ভিতৰত লোৰ মাৰি স্মুৰাই মাৰি পেলোৱা হৈছিল।

৩. লম্বুকন।

৪. সম্ৰাট নিৰোই, তেওঁৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰাত।

৫. ইন্দোনেছিয়া।

৬. স্ক্যাণ্ডিনেভীয় দেশৰ কিংবদন্তি বা মধ্যযুগীয় কাব্যগ্ৰন্থ।



নেহৰু-উপাখ্যান-১১

ভাৰতৰ গাভাৰ্ণাৰ জেনাৰেল লৰ্ড ইৰউৱিন আৰু গান্ধীজীৰ মাজত আলাপ-আলোচনাৰ প্ৰস্তাৱ কৰা হ'ল। এজন যুৱকে গোপনভাৱে নেহৰুৰ সৈতে সাক্ষাৎ কৰি সুধিলে যে গান্ধী-ইৰউৱিন আলোচনা উপলক্ষ্যে জেলত থকা ভগৎসিং প্ৰমুখ বিপ্লৱীসকলক মুক্তি দিয়া হ'বনে নহ'ব। এই যুৱকজনৰ নাম আছিল চন্দ্ৰশেখৰ আজাদ।

দুই কি তিনি সপ্তাহৰ অন্তত গান্ধী-ইৰউৱিন আলোচনা চলি থাকোঁতে, এলাহাবাদৰ পাৰ্ক এখনত পুলিচে চন্দ্ৰশেখৰ আজাদক আগুৰি ধৰিলে। পুলিচে চন্দ্ৰশেখৰ আজাদক গ্ৰেপ্তাৰ কৰাৰ চেষ্টা কৰাত আজাদে তেওঁৰ ৰিভলভাৰৰপৰা গুলীয়াই দুটামান পুলিচক আহত কৰিলে, আৰু তেতিয়া পুলিচে আজাদক গুলীয়াই মাৰিলে।



গান্ধীজী আৰু ইৰউৱিনৰ মাজত বুজা-পৰা হ'ল। কংগ্ৰেছে আইন-অমান্য আন্দোলন স্থগিত কৰিলে আৰু হাজাৰ হাজাৰ কংগ্ৰেছ কৰ্মীক কাৰাগাৰৰপৰা চুক্তিমতে তেতিয়া মুক্তি দিয়া হ'ল।

যিসকল কংগ্ৰেছকৰ্মী কাৰাগাৰৰপৰা মুক্ত হৈ আহিল, জনসাধাৰণে তেওঁলোকক বিপুলভাৱে অভ্যৰ্থনা কৰিলে। কংগ্ৰেছকৰ্মীসকলে জনসাধাৰণক ক'লে যে গান্ধী-ইৰউৱিন চুক্তিৰ বিজয় তেওঁলোকৰে বিজয় আৰু ইংৰাজ পৰাজয়। এইবোৰ কথা শুনি ইংৰাজ-কৰ্তৃপক্ষ অত্যন্ত উত্তপ্ত তথা উত্যক্ত হৈ উঠিল।

কৰাচীত কংগ্ৰেছৰ অধিবেশন পতা হ'ল। এই অধিবেশনৰ সভাপতি আছিল চৰ্দাৰ বল্লভাই পটেল। গুজৰাটৰ এই সুসন্তান তেতিয়া সৰ্বভাৰতীয় নেতা। কৰাচীৰ কংগ্ৰেছ অধিবেশন অতি উৎসাহ-উদ্দীপনাৰে অনুষ্ঠিত হৈছিল।



আৰু কৰাচীৰ অধিবেশনৰ অন্যতম প্ৰধান নেতা আছিল সীমান্ত প্ৰদেশৰ পাঠান নেতা খান আব্দুল গফ্‌ফৰ খান। তেওঁৰ অনুসাৰীসকলক ৰঙা-ৰঙৰ চোলা পিন্ধা হেতুকে ৰঙাচোলা বা 'লালকুৰ্তা' বাহিনী বুলি কোৱা হৈছিল আৰু তেওঁলোক আছিল কংগ্ৰেছৰ অনুসাৰী তথা একান্ত বিশ্বস্ত সমৰ্থক।

'ৰাউণ্ড টেব্‌ল্ কনফাৰেন্স' বা 'ঘূৰণীয়া মেজ-মেল'ত অংশ গ্ৰহণ কৰিবলৈ গান্ধীজী লণ্ডনলৈ গ'ল। যদিও এই মেজ-মেলক ভাৰতৰ সমস্যাৰ সমাধানৰ মেল বুলি প্ৰচাৰ কৰা হৈছিল, তথাপি, এই মেজ-মেলে কোনো ধৰণৰ সদৰ্থক সমাধানৰ বাট দেখুৱাব নোৱাৰিলে।

বৃটিছ চৰকাৰে যেতিয়া গমিলে যে ভাৰতীয় নেতাসকলক বৃটিছৰ খোজৰ বাটেৰে খোজ লোৱাব নোৱাৰিব, তেতিয়া বৃটিছে আকৌ দমন-পীড়নৰ বাট ল'লে। জৱহৰলাল নেহৰু ৰেলগাড়ীৰে বম্বেলৈ গৈ থাকোঁতে অকস্মাৎ পুলিচে নেহৰুক ৰেলগাড়ীত গ্ৰেপ্তাৰ কৰিলে।

গান্ধীজী লণ্ডনৰপৰা ১৯৪২ চনৰ ৪ জানুৱাৰিৰ দিনা দেশলৈ উভতি আহিল, আৰু লগে লগে তেওঁকো গ্ৰেপ্তাৰ কৰা হ'ল। ইংৰাজ চৰকাৰে জনসাধাৰণৰ সকলো প্ৰকাৰৰ স্বাধীনতাক সংকুচিত কৰিলে আৰু স্বাধীনতা-সংগ্ৰামীসকলৰ সৈতে চৰকাৰৰ আলাপ-আলোচনাৰ পথ সম্পূৰ্ণভাবে ৰুদ্ধ হৈ পৰিল।



এইবোৰ ঘটনাৰ পাছত জৱহৰলালৰ অশীতিপৰ বৃদ্ধা মাতৃৰ নেতৃত্বত এলাহাবাদত এক বিৰাট সমদল ওলাল। পুলিচে সমদলক মাজবাটত ৰখালে। জৱহৰলালৰ মাতৃ অত্যন্ত বৃদ্ধা হোৱা হেতুকে তেওঁ এখন চকীত বহি আছিল।

হঠাৎ পুলিচে সমদলত লাঠি চাৰ্জ কৰিবলৈ ধৰিলে। জৱহৰলালৰ অশীতিপৰ মাতৃক যিসকলে চোৱা-চিঁতা কৰি আছিল, তেওঁলোকক গ্ৰেপ্তাৰ কৰা হ'ল আৰু সমদল গাৰ বলেৰে ছত্ৰভংগ কৰা হ'ল। জৱহৰলালৰ মাতৃক চকীৰপৰা তললৈ বগৰাই পেলোৱা হ'ল।





নেহৰুৰ মাতৃ মাটিৰ ওপৰত পৰি থাকিল। পুলিচে বাৰে বাৰে তেওঁৰ মূৰত মাৰি থাকিল। তেওঁৰ ৰক্তক্ষৰণ হৈ থাকিল আৰু তেওঁ অচেতন হৈ পৰিল। পাছত এজন অফিছাৰে জৱহৰলালৰ বৃদ্ধা মাতৃক নেহৰু-পৰিয়ালৰ ঘৰলৈ লৈ গ'ল। এই বাতৰি যেতিয়া কাৰাগাৰত আবদ্ধ নেহৰুৱে পালে, তেতিয়া ভাবিলে : মোৰ বৃদ্ধা মাতৃকো ইংৰাজ চৰকাৰে প্ৰহাৰ কৰাৰ পাছতো অহিংস হৈ থাকিব পাৰিমনে? [আগলৈ

সিঁচা পানী

অনুপমদেশৰ ৰজা বিক্ৰমসেনৰ দুজনী ৰাণী আছিল। ডাঙৰএজনীৰ নাম আছিল বাসন্তী, সৰুজনীৰ নাম মাণ্ডৱী। ৰাণী-বাসন্তী আছিল কিছু গহীন প্ৰকৃতিৰ, আৰু মাণ্ডৱী অলপ চঞ্চল তথা চতুৰ।

ৰজা বিক্ৰমসেন আছিল কবি আৰু আমোদপ্ৰিয় ৰজা। তেওঁ স্বয়ং ৰাজসভাত কবিভিন্ন কৌশলী প্ৰশ্ন কৰি সভাসদ উলক শলঠেকত পেলাই এবিধ আমোদ পভোগ কৰিছিল, আৰু 'শলঠেকীয়া-আমোদ'ৰ কথা সৰু ৰাণী মাণ্ডৱীক হাঁহি হাঁহি কৈছিল।

এনেকৈ এদিন ৰাজসভাৰ কথা মাণ্ডৱীক কৈ থাকোঁতে মাণ্ডৱীয়ে বিক্ৰমসেনক ক'লে, "মহাৰাজ, আপুনি অত্যন্ত আমোদপ্ৰিয়, আৰু কবি-ৰাজ। মই আপোনাক তিনিটা প্ৰশ্ন কৰিব পাৰোঁনে? যদি অনুমতি দিয়ে—মই তিনিটা প্ৰশ্ন কৰিম, আৰু আপুনি উত্তৰ দিব।"

ৰজা বিক্ৰমসেনে কৌতূহলী হৈ ক'লে, "মাত্ৰ তিনটা প্ৰশ্ন সুধিবা? বাৰু, বাৰু সোধা শুনোচোন।"

"শুনক, মহাৰাজ। "মাণ্ডৱীয়ে কৈ থাকিল, "মোৰ প্ৰথম প্ৰশ্ন হ'ল—কেনেকৈ কি উপায়েৰে সৌন্দৰ্য্যৰ প্ৰশংসা কৰিলে পত্নী অধিক প্ৰসন্ন হ'ব?

"দ্বিতীয় প্ৰশ্ন হল—পত্নী যিমানেই সুশিক্ষিতা নহওক, পতিয়ে কি কথা ক'লে অসহ্য যেন লাগি যায়? আৰু—

"মোৰ তৃতীয় প্ৰশ্ন হ'ল—কোন কথা নাৰীয়ে একেবাৰে সহিব নোৱাৰে?"

পত্নীৰ প্ৰশ্ন শুনি ৰজা বিক্ৰমসেন

ইতি চক্ৰবৰ্তী



অলপ ভেবা লাগিল। তেওঁ উত্তৰ দিবলৈ গভীৰভাৱে চিন্তা কৰি থাকিল, কিন্তু মনতে ভবা উত্তৰবোৰ অৰ্থহীন যেন বোধ হ'ল।

অলপ সময়ৰ পাছত দাড়িত হাত ফুৰাই বিক্ৰমসেনে সৰু ৰাণীক ক'লে, "তুমি দেখিছোঁ—বৰ বেতেৰিবন্ধীয় প্ৰশ্ন সুধিলা।"

মাণ্ডৰীয়ে হাঁহি হাঁহি ৰজাক ক'লে, "এটা কাম কৰক। এই প্ৰশ্ন তিনিটা কালিলৈ ৰাজসভাতে সোধক।"

মাণ্ডৰীৰ কথা শুনি ৰজাৰ পেটে পেটে অলপ খঙেই উঠিল। তথাপি মুখেৰে ক'লে, "ঠিক আছে, ভাবি চাম।"

ৰজাই তাৰপৰা খোজ ল'লে। তেওঁ পোনে পোনেই ৰাণী বাসন্তীৰ কক্ষলৈ সোমাই গ'ল। মাণ্ডৰীয়ে নীৰৱে হাঁহিলে।

পতিক গহীন-গম্ভীৰ যেন দেখি ৰাণী বাসন্তীয়ে সুধিলে, "মহাৰাজ, আপোনাক শ্ৰান্ত যেন লাগিছে। কোনো ৰাজকাৰ্য্য—"

"ওঁ, ওঁ। তোমাৰ ভনীয়েৰাই বহুত ডাঙৰ ৰাজকাৰ্য্যৰ বন্দৱস্ত কৰি দিলে।" বিক্ৰমসেনে কিছু বিৰক্তিৰে ক'লে।

"কিনো কৰিলে মাণ্ডৰীয়ে?"

ৰাণী বাসন্তীৰ এই প্ৰশ্নৰ উত্তৰত বিক্ৰমসেনে সকলো কথা বিবৰিলে।

তেতিয়া বাসন্তীয়ে ক'লে, "মই আপোনাক প্ৰশ্ন তিনিটাৰ উত্তৰ কৈ দিম।"

"তুমি? তুমি কৈ দিবা!"

বিক্ৰমসেনৰ এই কথাৰ উত্তৰত বাসন্তীয়ে ক'লে, "শুনক মহাৰাজ, নাৰীৰ মনৰ কথা কেৱল নাৰীয়েহে জানিব। মই যদিও আপোনাক উত্তৰ কৈ দিম, তথাপি, আপুনি নিজেই প্ৰশ্ন তিনিটাৰ উত্তৰ দিয়া বুলি মাণ্ডৰীক ক'ব।"

এই কথা কোৱাৰ অন্তত বাসন্তীয়ে মাণ্ডৰীক প্ৰশ্ন তিনিটাৰ উত্তৰ ৰজা বিক্ৰমসেনক কৈ দিলে।

পাছদিনা গধূলিপৰতে ৰজা বিক্ৰমসেন ৰাণী মাণ্ডৰীৰ কক্ষলৈ গ'ল। তেওঁ মাণ্ডৰীক ক'লে, "তুমি বৰ কঠিন প্ৰশ্ন

সুধিলা। মই উত্তৰবোৰ কওঁনে?"

"মহাৰাজ, উত্তৰবোৰ আপোনাৰ নিজৰ উত্তৰ নিশ্চয়?" মাণ্ডৱীয়ে মিচিকীয়াই হাঁহি মহাৰাজে সুধিলে।

"নিশ্চয়, নিশ্চয়।" বিক্রমসেনে দৃঢ়তাৰে ক'লে।

"কওক তেন্তে।" মাণ্ডৱীয়ে ক'লে।

"তোমাৰ প্রথম প্রশ্নৰ উত্তৰ হ'ল—নাৰীক ৰম্ভা, উৰ্বশী আদিৰ সৈতে তুলনা কৰি প্রশংসা কৰিলে অধিক প্রসন্ন হ'ব।" বিক্রমসেনে ক'লে।

"ঠিক আছে। এইবোৰ মোৰ দ্বিতীয় প্রশ্নৰ উত্তৰ কওক, মহাৰাজ।" মাণ্ডৱীয়ে বিক্রমসেনক ক'লে।

"পতিয়ে যিকোনো নাৰীক যিমানেই নিন্দা নকৰক, নাৰীয়ে হয়তো, সহিব; কিন্তু আনৰ আগত সামান্যতম নিন্দা কৰিলেও নাৰীৰ পক্ষে মৃত্যুতুল্য অসহনীয় হৈ উঠিব। —এয়ে হ'ল তোমায় দ্বিতীয় প্রশ্নৰ উত্তৰ।" বিক্রমসেনে ক'লে।

"বৰ ভাল কথা কৈছে। এতিয়া মোৰ হাঁছি হাঁহি ৰাণী তৃতীয় প্রশ্নৰ উত্তৰ দিয়ক।" মাণ্ডৱীয়ে ক'লে।

"পত্নী এগৰাকীয়ে সকলো যাতনা সহিলেও পৰনাৰীৰ প্রশংসা সহিব নোৱাৰে—এ'য়ে হ'ল তোমাৰ তৃতীয় প্রশ্নৰ উত্তৰ।"

এই বুলি কৈ মহাৰাজ বিক্রমসেন গৰ্বিতভাৱে ৰ'ল।

"তিনিওটা প্রশ্নৰ উত্তৰেই সঠিক হৈছে। তাৰ অৰ্থ হ'ল — মহাৰাজ, আপোনাক প্রশ্নবোৰৰ এইবোৰ উত্তৰ নিশ্চয় বাইদেৱে কৈ দিছে।" মাণ্ডৱীয়ে মিচিকীয়াই হাঁহি ক'লে।

মাণ্ডৱীৰ কথা শুনি বিক্রমসেন উচপ খোৱাহেন হ'ল। তেওঁ ক'লে, "এ—নহয়, নহয়। কথা তেনেকুৱা নহয়।" কৈফিয়ৎ দিয়াৰ দৰে ৰজাই ক'লে।

মাণ্ডৱীয়ে প্রস্থানোদ্যত ৰজাক ৰখাই হাঁহি হাঁহি ক'লে, "মহাৰাজ, মিছা কথা

যে সঁচা পানীৰ সমান—জানেই। পোনে-গুছিয়ে ডুব মাৰিবৰ চেষ্টা কৰি লাভ নাই; কালি অপুনি চিন্তিত আৰু কিঞ্চিত ক্ৰুদ্ধভাৱে পোনে পোনেই বাইদেউৰ কক্ষলৈ যোৱালৈ মই মন নকৰাকৈ নাছিলোঁ। আপোনাক চিন্তিত থকা দেখা পাই বাইদেৱে নিশ্চয় 'কি হৈছে' বুলি সুধিছিল আৰু আপুনি তেতিয়া সকলো কথা তেওঁক কৈছিল, আৰু বাইদেৱে উত্তৰকেইটা কৈ আপোনাক তেতিয়া নিঃচিন্ত কৰিছিল।"

এতিয়া আৰু পোনে-গুছিয়ে ডুব মৰাৰ যে বাস্তৱিকতে আৱশ্যকতা নাই, সেই কথা অনুভৱ কৰি ৰজাই হাঁহি মাৰি ক'লে, "তোমাৰ কথা—একেবাৰে হুবহু সঁচা। কিন্তু—তুমি যে কেনেকৈ এইবোৰ কথাৰ উমান ল'লা—তাকেহে বুজা নাই।"

"মহাৰাজ, মোৰ প্ৰশ্নবিলাকৰ উত্তৰ আপুনি স্বয়ং দিয়াহেঁতেন—মোৰ প্ৰশ্নৰ বুদ্ধিমত্তাক শলাগি মোক নিশ্চয় কিবা ধৰণে তেতিয়াই উত্তৰো দিবলৈ চেষ্টা কৰিলেহেঁতেন। 'বৰ বেতেৰিবন্ধীয়া প্ৰশ্ন সুধিলা'—বুলি কৈ গুচি নগ'লহেঁতেন। আপুনি মোৰ প্ৰশ্নৰ উত্তৰো নিদিলে আৰু খঙো কৰিলে আৰু মোৰ প্ৰতি তুচ্ছতাও প্ৰদৰ্শন কৰিলে। এই উত্তৰ যে আপোনাৰ নিজা উত্তৰ নহয়, আন কাৰোবাৰ, সেই কথা বুজিবলৈ বৰ বেছি বুদ্ধিৰ আৱশ্যকতা নাই।" মাণ্ডৱীয়ে ক'লে।

সৰুৰাণীৰ ধাৰণাশক্তিক উপলব্ধি কৰি ৰজা বিক্ৰমসেনে ভালেই পালে আৰু মাণ্ডৱীক ক'লে, "তুমি ঠিকেই কৈছা, মই তোমালৈ কিছু তুচ্ছতা প্ৰদৰ্শন কৰিছিলোঁ। কিন্তু এতিয়া মই হিয়া উজাৰি তোমাৰ শলাগ লৈছোঁ।" এই বুলি কৈ, মহাৰাজ বিক্ৰমসেনে তেওঁৰ ডিঙিত থকা বহুমূল্য ৰত্নহাৰ বুদ্ধিমতী সৰুৰাণী মাণ্ডৱীৰ ডিঙিত পিন্ধাই দিলে।

কৃষ্ণাৱতাৰ

২৭

কৃষ্ণই
বাণাসুৰৰ নগৰখনলৈ
একদৃষ্টে চাই থাকোঁতে নাৰদমুনি
তালৈ আহিল আৰু কৃষ্ণক লাহেকৈ ক'লে যে
এইখন নগৰ স্বয়ং শিৱই ৰক্ষা কৰিছে, গতিকে
কিবা ব্যৱস্থা লোৱাৰ আগতে সাৱধানতাৰে খোজ ল'ব লাগিব।
নাৰদমুনিৰ কথাৰ উত্তৰত মৃদুকৈ হাঁহি কৃষ্ণই ক'লে যে আনকি দেৱাদিদেৱ
শিৱই বিধি-পথালি দিলেও তেওঁ তেওঁৰ ভবা মতে কাৰ্য্য কৰিবই। কোনো ব্যৱস্থা নোলোৱাকৈ
তেওঁ ইয়াৰপৰা কদাপি উভতি নাযাব ; আৰু এই কথা কৈয়েই নগৰদ্বাৰলৈ গৈ শ্ৰীকৃষ্ণই তেওঁৰ
পাঞ্চজন্যৰ ধ্বনি কৰিলে আৰু এই ধ্বনি শুনি বাণাসুৰৰ সৈন্যসৰ সাগৰৰ ঢৌৰ
দৰে ঢৌৱাই আহি পালে। কৃষ্ণ, বলৰাম, প্ৰদ্যুম্ন আৰু গৰুড়ে মিলি
সেই অসংখ্য ৰাক্ষস সেন্যক সংহাৰ কৰি থাকিল। এওঁ-
লোকৰ আগত একোপধ্যে তিষ্টিব নোৱাৰি
ৰাক্ষস সৈন্যই পোন্ধ-সোলোকা
দিলে।

'বাণাসুৰৰ পৰাভৱ'



ৰাক্ষসসৈন্যৰ বিগতিৰ কথা শুনি ঠটা মাটিতে তিনি গোৰ মাৰি ৰাক্ষসসৈন্য কিছুমানক গোটাই-পিটাই লৈ বাণে ক'লে, "শুনা, তোমালোক হ'লা বীৰ ৰাক্ষস-কুলতিলক। যিবোৰ কেল্লনীয়াহঁতক দেখি তোমালোকে পোন্ধ সোলোকা দিছা, সিবোৰ হ'ল অজাত-বজ্জাত কেলেহুৰাৰ জাত। ভেকুলীৰ টোৰটোৰণিত যেনেকৈ বাৰিষা নহয়, বিচনীৰ বাৰত যেনেকৈ পৰ্বত নলৰে, তেনেকৈ, ইহঁতেও আমাৰ নোম এডালিকো লৰাব নোৱাৰিব। এই ল্যংপাং কথা চোবোৱাহঁতক একেবাৰে ভয় নকৰিবা ; ইহঁতৰ বীৰতা, বা সাহ সহ বোলা বস্তু নায়েই, যি আছে সি হ'ল মুখৰ ফকফকনি।"

এখন্তেক বৈ, ৰাক্ষস বীৰসকলৰ মুখত বেজাৰৰ ছাঁ দেখা পাই বাণাসুৰে পুনৰ ক'লে "মই আছোঁ, আমাৰ বুধিয়ক মন্ত্ৰী কুম্মাণ্ড আছে, প্ৰমথগণো আমাৰ লগতে আছে। এইবোৰনো আমাৰ আগত কি ?"

আৰু ইপিনে—ভক্ত বাণাসুৰক বুঢ়ামুৰা পৰা দেখি ব্যথিত হৈ স্বয়ং শিৱ ক্ৰুদ্ধ হৈ পৰিল আৰু শিৱ আৰু কৃষ্ণৰ মাজত যুদ্ধ ল-গি পৰিল। যুদ্ধ আৰম্ভণীতেই শিৱই কৃষ্ণৰ ওপৰত এশ বাণ এৰিলে। তাৰ প্ৰত্যুত্তৰত কৃষ্ণই শিৱলৈ ইন্দ্ৰাস্ত্ৰ প্ৰয়োগ কৰিলে। এই ইন্দ্ৰাস্ত্ৰৰপৰা পলকতে এক সহস্ৰ বাণ ওলাই আহি শিৱৰ ৰথখনক আগুৰি ধৰিলে। তেতিয়া শিৱই আগ্নেয়াস্ত্ৰ প্ৰয়োগ কৰিলে। আৰু সেই আগ্নেয়াস্ত্ৰৰ প্ৰভাৱত চাৰিও দিশে লৌ লৌ কৰে তৌ তৌৱা অগনি জ্বলি উঠিল। আৰু কৃষ্ণৰ ইন্দ্ৰাস্ত্ৰৰপৰা ওলোৱা বাণ ভস্ম কৰি পেলালে। শিৱৰ আগ্নেয়াস্ত্ৰই যেতিয়া কৃষ্ণ-বলৰাম-প্ৰদ্যুম্ন-গৰুড় আদিকো আগুৰি ধৰিলে, তেতিয়া কৃষ্ণই ক্ৰুদ্ধ হৈ বৰুণাস্ত্ৰ প্ৰয়োগ কৰি অগ্নি নিৰ্বাপিত কৰি পেলালে।

তেতিয়া শিৱই পাঁচ-ছয়বিধৰ ভয়ংকৰ

অস্ত্র প্রয়োগ কৰাত কৃষ্ণয়ো শংখ নিনাদি বৈষ্ণৱাস্ত্র প্রয়োগ কৰিলে। শিৱ অতি চিন্তিত হৈ উঠিল: তেনেহ'লে—কোন অস্ত্ৰেৰেনো কৃষ্ণৰ গল কটৰাত সুমুৱাব পাৰি? ভাবি ভাবি শিৱই এইবাৰ ভয়ংকৰ পাশুপাত অস্ত্র এৰিলে।

আৰু শিৱৰ উদ্দেশ্য বুজি পাই কৃষ্ণই এইবাৰ এৰিলে জৃম্ভকাস্ত্র। লগে লগে শিৱ নিৰ্বলী হৈ পৰিল, আৰু তেওঁৰ হাতৰপৰা ধনুৰ্বাণ তললৈ সুলকি পৰিল. আৰু তেওঁ চেতনা হেৰুৱালে।

তিমানতে স্বয়ং বাণাসুৰো ৰণথলী পাইছিলহি। বাণাসুৰে শিৱৰ চেতনা ঘূৰাই আনিবলৈ অহোপুৰুষাৰ্থ কৰিবলৈ ধৰিলে। কিন্তু কৃষ্ণয়ো ঠিক তেতিয়াই তেওঁৰ পাঞ্চজন্য বজাই দিলে।

এইবোৰ কথা-কাণ্ড চাই প্ৰমথগণ ক্ৰুদ্ধ হৈ পৰিল। প্ৰমথগণে প্ৰদ্যুম্নক আগুৰি ধৰি বিভিন্ন অস্ত্ৰেৰে থকা-সৰকা কৰি থাকিল। লগতে ৰাক্ষসবিলাকেও মায়াযুদ্ধ আৰম্ভ কৰি দিলে। কিন্তু অৱস্থাৰ গতি-গোত্ৰ চাই প্ৰদ্যুম্নই তেওঁৰ সন্মোহন শক্তিৰে অসংখ্য ৰাক্ষসকো সংহাৰ কৰিলে।

পিতৃ শিৱক অচেতন তথা যুদ্ধ কৰিবলৈ অক্ষম হোৱা দেখি তিমানতে কুমাৰস্বামীয়ে অস্ত্র হাতত লৈ যুদ্ধক্ষেত্ৰলৈ জঁপিয়াই

পৰিল। কুমাৰস্বামীয়ে কৃষ্ণ-বলৰাম আৰু প্ৰদ্যুম্নকো আহত কৰিলে আৰু তাৰ পাছত যেতিয়া ভয়ানক ব্ৰহ্মশিৰোনামাস্ত্ৰ প্ৰয়োগ কৰিবলৈ চেষ্টা দিলে, তেতিয়া অতিপাত ক্ৰুদ্ধ হৈ কৃষ্ণই সুদৰ্শন চক্ৰেৰে সেইপাট কাটি খণ্ড-বিখণ্ড কৰি যেতিয়া সুদৰ্শন চক্ৰক কুমাৰস্বামীলৈ টোঁৱালে. তেতিয়া লম্বাদেৱী নামৰ এগৰাকী দেৱী অকস্মাৎ যুদ্ধক্ষেত্ৰলৈ আৱিৰ্ভূতা হৈ কুমাৰস্বামীক যুদ্ধক্ষেত্ৰৰপৰা লৈ গ'ল।

তেতিয়া—অৱস্থাৰ ৰেহ-ৰূপ চাই—বাণাসুৰ পুনৰ যুদ্ধলৈ জঁপিয়াই পৰিবলৈ সাজু হ'ল। তেওঁ স্বয়ং কৃষ্ণক যুদ্ধ দিবলৈ

আহিল। কৃষ্ণই বাণাসুৰৰ ৰথ তথা অস্ত্ৰ-শস্ত্ৰো চূৰ্ণ-বিচূৰ্ণ কৰি পেলালে। আৰু বাণাসুৰ অচেতন হৈ বাগৰি পৰিল।

এই দৃশ্য চাই, বাণাসুৰক যেনেতেনে ৰক্ষা কৰিবলৈ শিৱ-পাৰ্বতীয়ে যুদ্ধক্ষেত্ৰলৈ পুনৰ লাম্বাদেৱীক প্ৰেৰণ কৰিলে। লাম্বা-দেৱী বাণাসুৰৰ ওচৰ পালেগৈ। তাত অদৃশ্যভাৱে পাৰ্বতীও ৰৈ থাকিল।

কিন্তু কৃষ্ণই পাৰ্বতীক তাত দেখা পালে আৰু ক'লে, "হে দেৱী! আপুনি কিয় এনেবোৰ কুযুক্তি কৰিব ধৰিছে? আপুনি এই কথা নাভাবিব আপুনি ইয়াত ৰৈ থাকিলেই মোৰ কবলৰপৰা ৰক্ষা পৰি বাণাসুৰ ইয়াৰপৰা গুচি যাবগৈ পাৰিব।"

পাৰ্বতীয়ে ক'লে, "আপুনি সমৰ্থৱান পুৰুষ, আপুনি যদি কিবা কৰিবলৈ মন কৰেই, মই বাধা দিব নোৱাৰিম। মই বাণাসুৰক নিজ-পুত্ৰৱৎ পালন কৰি আহিছোঁ। মোক পুত্ৰশোকগ্ৰস্তা কৰাটো আপোনাৰ পক্ষে উচিত কাৰ্য্য হ'বনে? অনুগ্ৰহ কৰি বাণক ৰক্ষা কৰক।"

"হে দেৱী! ইয়াৰ দেহত সহস্ৰ হাত আৰু সহস্ৰ হাতৰ শক্তি আছে। সেইবোৰ কাটি দুই হতীয়া শক্তিসম্পন্ন কৰিব পাৰিলেহে কিজানি ই কিঞ্চিত বোধশক্তি-সম্পন্ন হ'ব। আৰু তেতিয়া আপুনিও নিঃচিন্তে ইয়াক পালন কৰি থাকিব। আপুনি অনুগ্ৰহ কৰি মোৰ সমুখৰপৰা আঁতৰ হওক।" কৃষ্ণই পাৰ্বতীক বুজনি দিলে।

তেতিয়া পাৰ্বতীয়ে লম্বাদেৱীক কৃষ্ণৰ সমুখৰপৰা আঁতৰি দিবলৈ ক'লে। পাৰ্বতী আৰু লম্বাদেৱী একাগৰীয়া হৈ আঁতৰি দিয়াত কৃষ্ণই চক্ৰায়ুধেৰে বাণাসুৰৰ দেহত দুখন হাত অৱশিষ্ট ৰাখি বাকীবোৰ কাটি পেলালে।

কিন্তু তথাপি বাণাসুৰৰ পৌৰুষৰ শেষ নপৰিল। বাণাসুৰে তেওঁৰ দুখন হাতেৰেই ধনুৰ্বাণ দাঙি কৃষ্ণলৈ বাণবৃষ্টি কৰি থাকিল। অতিপাত ক্ৰুদ্ধ কৃষ্ণই পুনৰ চক্ৰায়ুধেৰে

বাণক কাটি টুকুৰা-টুকুৰ কৰাৰ যো-জা কৰা দেখি তাত সেই মুহূৰ্তত শিৱ-পাৰ্বতীয়ে উদয় হৈ কৃষ্ণক ক'লে, "কৃষ্ণ, বাণক আমি ৰক্ষা কৰি আছোঁ। এওঁক বধ কৰি আমাধ অভয় প্ৰদানক ব্যৰ্থ নকৰিব,আপুনি আপোনাৰ চক্ৰ ওভোতাই আনক।"

শিৱৰ অনুৰোধত কৃষ্ণ ৰ'ল, আৰু শিৱৰ স্তুতি কৰাৰ অন্তত গৰুড়ৰ পিঠিত উঠি অনিৰুদ্ধক চাবলৈ গ'ল।

গৰুড়ক তাত দেখামাত্ৰেই অনিৰুদ্ধক কটকটীয়াই মেৰিয়াই ধৰি থকা সৰ্পৰূপী সৰ্পবাণবোৰ তললৈ সৰি পৰিল। ঠিক সেই মুহূৰ্তত তাত নাৰদমুনি ওলালগৈ। চিত্ৰলেখাও তালৈ আহিল। কৃষ্ণ বলৰাম আৰু প্ৰদ্যুম্নই অনিৰুদ্ধৰ সৈতে আলিংগন কৰিলে। অনিৰুদ্ধই তাত উপস্থিত থকা সকলোকে প্ৰণাম কৰিলে।

নাৰদমুনিয়ে কৃষ্ণক ক'লে, "হে মহানুভৱ, আৰুনো বিলম্ব কৰিছে কিয় ? এইবাৰ অনিৰুদ্ধৰ বিবাহ সম্পাদন কৰক।"

ঠিক তেতিয়াই বিবাহৰ মুহূৰ্ত আছিল। বাণৰ মন্ত্ৰী কুষ্মাণ্ডই বিবাহৰ বাবে সকলো প্ৰস্তুত কৰাৰ অন্তত কৃষ্ণক প্ৰণাম কৰি ক'লে, "অনুগ্ৰহ কৰি মোক ৰক্ষা কৰক।"

কৃষ্ণই ক'লে "তুমি অতি যোগ্য ব্যক্তি বুলি মই শুনিছোঁ। বাণাসুৰৰ এই নগৰ তোমাক দিয়া হ'ল—নিশ্চিন্ত হৈ মনপুতি ৰাজকাৰ্য্য কৰি থাকিবা।"



পাৰি। সেইবোৰ গাভী আপুনি লৈ যাওক।"

শুনিয়েই কৃষ্ণই বলৰাম আৰু প্ৰদ্যুম্নকো গৰুড়ৰ পিঠিত উঠাই নিজেও উঠি সমুদ্ৰৰ পশ্চিম তীৰলৈ গ'ল। তাত বিশাল বিস্তৃত চৰণীয়া পথাৰত লক্ষ লক্ষ গাভী চৰি আছিল। কৃষ্ণই গৰুড়ৰ পিঠিৰপৰা নামি সেই গাভীবিলাকৰ ওচৰ পোৱাৰ লগে লগেই গাভীবোৰ সমুদ্ৰৰ বুকুত অদৃশ্য হৈ পৰিল।

হতাশ কৃষ্ণই গৰুড়ক সুধিলে, "কথানো কি? মোৰ প্ৰচেষ্টা এনেকৈ ব্যৰ্থ হ'ল কিয়?"

গৰুড়ে কৃষ্ণক বুজনি দিয়াৰ সুৰতে ক'লে, "এতিয়া—যদি এইবোৰ গাভীকে লাগে—তেনেহ'লে বৰুণৰ সৈতে যুদ্ধ কৰিবই লাগিব।"

গৰুড়ে প্ৰচণ্ড জোৰেৰে ডেউকা কোবালে আৰু সমুদ্ৰৰ সমস্ত জল উৰ্ধলৈ উঠাত সমুদ্ৰৰ তলদেশত নাগলোক স্পষ্টকৈ পৰিদৃষ্ট হ'ল। কৃষ্ণই পাঞ্চজন্য ফুকাৰি বৰুণৰ প্ৰাসাদ আক্ৰমণ কৰিলে।

আৰু পাছ মুহূৰ্ততে সাতষষ্ঠিখন ৰথত আৰূঢ় হৈ বৰুণৰ অনুচৰইঁতে কৃষ্ণক ঘেৰাই আক্ৰমণ কৰিলে। কৃষ্ণই দাৰুণ যুদ্ধ দিলে, বলৰাম আৰু প্ৰদ্যুম্নয়ো যথাশক্তি যুঁজিলে, আৰু গৰুড়ো পিছৰপৰা হৈ নাথাকিল। গৰুড়েও পাৰেমানে সহায় কৰিলে।

তাৰ পাছত উষা-অনিৰুদ্ধৰ বিবাহ অতি ধুমধামেৰে সম্পন্ন হ'ল। বিবাহৰ অন্তত কৃষ্ণই উষা-অনিৰুদ্ধক শিৱ-পাৰ্বতীৰ সমীপলৈ লৈ গ'ল। নৱ-দম্পতিয়ে শিৱ-পাৰ্বতীক প্ৰণাম কৰিলে আৰু তেওঁলোকে উষা-অনিৰুদ্ধক হিয়া লজাৰি আশীৰ্বাদ কৰিলে। পাৰ্বতীয়ে বাণাসুৰৰ ময়ুৰটোক অনিৰুদ্ধলৈ বাহন হিচাপে উপহাৰ দিলে।

তাৰ পাছত কৃষ্ণ যেতিয়া গুচি যাবলৈ ওলাল, তেতিয়া কুম্ভাণ্ডই কৃষ্ণক ক'লে, "বাণাসুৰৰ গাভীবোৰ বৰুণৰ ওচৰত আছে। সেইবোৰ গাভীৰ গাখীৰ খালে অপৰিমিত বল-বীৰ্য্যৰ অধিকাৰী হ'ব


Sankar

কৃষ্ণৰ এনে বিষম সাহ দেখি ক্রুদ্ধ বৰুণ নিজেই কৃষ্ণৰ সৈতে যুঁজ দিবলৈ আগুৱাই আহিল। কৃষ্ণই এই ভয়াবহ সংগ্রামত অৱশেষত বৈষ্ণৱাস্ত্ৰক প্ৰয়োগ কৰিলে, আৰু তেতিয়া বাধ্যত পৰি বৰুণেও সন্ধিলৈ কৃষ্ণক খাটিলে।

"তুমি এতিয়া মোৰ শৰণ লৈছা, তাৰ ফলত মই কিন্তু তুষ্ট হোৱা নাই। যি কি নহওক, বাণাসুৰৰ গাভীবিলাক মোক এতিয়াই—এই মুহূর্ততে লাগে।" কৃষ্ণই চৰ্ত আৰোপ কৰিলে।

"আপুনি কৃপা কৰি গাভীবিলাকক নুখুজিব। মই এই গাভীবিলাক ৰক্ষা কৰিম বুলি বাণাসুৰক প্ৰতিশ্ৰুতি দিছোঁ। মোৰ প্ৰাণ থাকেমানে এই গাভীবিলাকক কালৈকো দিব নোৱাৰিম। মই সত্য কথা ক'লোঁ, এতিয়া আপুনি যি কৰে কৰক।" বৰুণে ক'লে।

তেতিয়া কৃষ্ণই গাভীবোৰ লৈ যোৱাৰ আশা পৰিত্যাগ কৰি নিজৰ দিব্য অস্ত্ৰক ওভোতাই আনিলে। কৃতজ্ঞ বৰুণে কৃষ্ণৰ যথোচিত উদাৰতাৰে মান ধৰিলে, অতিথি-সৎকাৰ কৰিলে।

তাৰ পাছত পুনৰ শোণিতপুৰলৈ গৈ, অনিৰুদ্ধক লগত লৈ, নিজ নগৰ পাই কৃষ্ণই বিজয়সূচক পাঞ্চজন্য নিনাদিলে।

সহস্ৰ যাদৱ (গুৱাল) বিজয়ী কৃষ্ণক চাবলৈ ঢপলিয়াই আহিল, আৰু তেওঁলোকে কৃষ্ণৰ বিভিন্ন কাহিনী—যেনে—শোণিতপুৰত শিৱৰ আগ্নেয়াস্ত্ৰক বৰুণাস্ত্ৰেৰে নিৰ্বাপণ, শিৱক নিৰ্বলী তথা অচেতনকৰণ, পাৰ্বতীয়ে পুত্ৰভিক্ষা কৰাত পুত্ৰপ্ৰদান, বাণাসুৰৰ দুখন হাত ৰাখি বাকীবোৰ হাত খণ্ডন—ইত্যাদি ৰ' লাগি শুনি পৰম আনন্দিত হ'ল।

তাৰ পাছত এসময়ত উষা-অনিৰুদ্ধক প্ৰাসাদৰ নিৰ্দিষ্ট কক্ষলৈ হৰ্ষধ্বনিৰে সৈতে আগবঢ়াই লৈ যোৱা হ'ল।



বনৰ ধন

কোনোবা এখন গাঁৱত বল্লভ নামৰ এজন খৰিকটীয়া আছিল। আন দিনাৰ দৰে সিদিনাও বেজাৰ মুখেৰে কান্ধত কুঠাৰখন লৈ হাবিলৈ বুলি খোজ লোৱাৰ লগে লগে ঘৈণীয়কে মাত লগালে, "বোলোঁ শুনিছেনে—? কালিলৈ আমাৰজনীৰ জন্মদিন। আনদিনাতকৈ অলপ সৰহকৈ খৰি কাটি অলপ বেছিপইচা লৈ আহিব।"

কিন্তু কথা আচৰিত হ'লেও সঁচা, যে—বল্লভে বহু চেষ্টাৰ মূৰতো আন দিনাতকৈ বেছি খৰি বুটলিব নোৱাৰিলে। তেতিয়া সি খঙতে এজোপা গছত ঘপিয়াৰ বুলি কুঠাৰদোঙোতেই বনদেৱী তাৰ আগত আবিৰ্ভূতা হৈ কৈ উঠিল, "বোপা, কি কৰা, কি কৰা, অলপ ৰবাচোন। এই বনৰ একমাত্ৰ চন্দৰজোপা তুমি কাটিছা কিয়? তুমি আন কোনো শুকান গছ বিচাৰি পোৱা নাইনে?"

বল্লভে কৈ উঠিল, "মোৰ যি অৱস্থা—মোৰ মানত আটাইবোৰ গছেই এক। কলিলৈ মোৰ ছোৱালীজনীৰ জন্মদিন। তাইক এটা পুতলা গল-মণিকা লাগে।"

"মই তোমাৰ ছোৱালীজনীৰ কাৰণে পুতলা গল-মণিকা এটাৰ সলনি—একেবাৰে জীয়া মাত-বোল কৰিব পৰা গল-মণিকা দিম বাৰু, তথাপি তুমি এই চন্দনজোপা নাকাটিবা।" এই বুলি কৈয়েই বনদেৱীয়ে হাত চাপৰি দিলে, আৰু চকুৰ পচাৰতে ক'ৰবাৰপৰা পাঁচৰঙী গল-মণিকা এজনী উৰিআছি বনদেৱীৰ কান্ধত বহিল।

এনেকৈ—সাইলাখ মানুহৰ দৰে মাত-বোল কৰিব পৰা ভাটো—বল্লভৰ

সাধনা শৰ্মা



ছোৱালীজনীৰ কথা বাদেই, ঘৈণীয়েকেও জীৱনতো দেখা, আনকি শুনাও নাছিল। চাওঁতে চাওঁতে গল-মণিকাই-মণিমালাই সখি পাতি পেলালে। মণিমালা হ'ল বল্লভৰ ছোৱালীজনীৰ নাম। গল-মণিকাজনীয়ে মণিমালাক কেইবাটাও সাধু ক'লে। ৰাতি শোওঁতে মণিমালাই গল-মণিকাজনীক তাইৰ কাষত শুবলৈ দিলে।

সকলো কথা শুনাৰ অন্তত বল্লভৰ ঘৈণীয়েকে বল্লভক ক'লে, "বনদেৱীৰ দয়াত আমি এতিয়া কিজানি অলপ সকাহ পাম, কম পৰিশ্ৰমেৰে আৰ্জিব পাৰিম। তুমি এই গল-মণিকাজনীক লৈ চাৰিআলিলৈ যোৱা, তাত, যিজনে এইজনীৰ সৈতে কথা পাতিব—গাইপতি এটকাকৈ ল'বা। কিছুদিনৰ অন্তত চাবা—আমি লাখৰ-বাখৰ কৰি ফুৰিব পাৰিম।"

কিন্তু ঘৈণীয়েকৰ কথাত বল্লভ বৰ উৎসাহিত নহ'ল। বনদেৱীয়ে দিয়া উপহাৰ-পুৰস্কাৰৰ এনেকুৱা অপব্যৱহাৰৰ কথাত বল্লভে সমূলি ভাল পোৱা নাছিল। তথাপি, দন্দুৰী ঘৈণীয়েকৰ কথা ভাবি সি মনে মনে থাকিল।

পাছদিনা, ছোৱালীজনীয়ে যেতিয়া গল-মণিকাজনীৰ সৈতে গল্প কৰিব খুজিলে, তেতিয়া তাইক খোটালী এটাত বন্ধ কৰি থৈ, ঘৈনীয়েকে গল-মণিকাজনীক বল্লভৰ হাতত গটাই দিলে।

তাৰ পাছত হ'ল কি—চাওঁতে চাওঁতে এই আচৰিত গল-মণিকাজনীৰ কথা গাঁও-কে-গাঁৱত যিয়পি পৰিল। বল্লভক মানুহে চাৰিওফালৰপৰা আগুৰি ধৰিলে। আৰু ঠিক তেতিয়াই দেশৰ ৰজাও সেইপোনে ক'ৰাবলৈ গৈ থাকোঁতে এই হৈ-চৈখনৰ মাজত আহি পৰিল।

ৰজাই ইয়াত ইমান মানুহ গোটখোৱাৰ তথা হৈ-চৈ কৰাৰ হেতু কি—অনুচৰহঁতক সুধিলে। অনুচৰহঁতে আৰ-তাৰ পৰা খবৰ-বাতৰি লৈ ৰজাক ক'লে

ভাটৌৰ কথা, ক'লে যে এই ভাটৌ যেনতেন নহয়, সাইলাখ মানুহৰ দৰে মাত-বোল কৰিব পৰা ভাটৌ।

শুনি ৰজাৰ চক্ষু চড়কগাছ! আৰু চকুযুৰি ৰঙাও পৰিল। কী! ইমান সাহস হ'লনে ক'ৰবাৰ-কোনোবা এটা সামান্য খৰিকটীয়াৰ! ৰজাই তেওঁৰ চিপাহীহঁতক হুকুম দিলে, "ধৰ্ তাক, লগা সৌকাৰ ছকোব, লৈ আহ ভাটৌটোক, দেহি মোক।"

ৰজাৰ হুকুম বোলা কথা। বিনা দোষতে বল্লভ খৰিকটীয়াই সৌকাৰ কোব খালে, গল-মণিকাজনীকো হেৰুৱালে।

বল্লভ বিনা দোষতে বধৰ ভাগী হেন হৈ ঘৰলৈ উলটিল আৰু গল-মণিকাজনীকো হেৰুৱাই মনৰ দুখত নাখাই-নবৈ পৰি থাকিল।

কেইদিনমানৰ পাছত বল্লভৰ ঘৈণীয়েকে বল্লভক ক'লে "শুনা, এনেকৈ মন মাৰি পাৰি থাকিলে লাভ নাই। তুমি পুনৰ কুঠাৰ লৈ হাবিলৈ যোৱা, আৰু গৈ—সেই চন্দনজোপাকে পুনৰ কাটিবলৈ ভাও দিয়া! নাকাটিবা, কেৱল কাটোঁ কাটোঁ বুলি ভাওহে দিবা। তেতিয়া সেই বনদেৱী পুনৰ ওলাবহি। তেওঁক ক'বা যে—'আজি মোৰ পৰিবাৰৰ বিয়াৰ তাৰিখ। সাতসৰী চন্দ্ৰহাৰ এধাৰ লাগে।"

ঘৈণীয়েকৰ আগত বল্লভ সদায় সৰু, যেন এটা বেঙে মূতা গৰু। গতিকে

ঘৈণীয়েকৰ এনে অন্যায় কথাৰে সি প্ৰতিবাদ কৰিব নোৱাৰিলে। সি সম্পূৰ্ণ অনিচ্ছাৰে কুঠাৰ কান্ধত লৈ হাবিলৈ গ'ল আৰু সেই চন্দনজোপ। কাটিবৰ ভাও দি কুঠাৰখন দাঙিলে আৰু যথানিয়মে বনদেৱীও আবিৰ্ভূতা হ'ল, আৰু বল্লভে তাৰ ঘৈণীয়েকে ভাটৌপঢ়ুৱা দিয়া সেই কথাখিনি বনদেৱীক ক'লে।

শুনি বনদেৱীয়ে বতাহত হাত ফুৰাই ধুনীয়াৰো ধুনীয়া সাতসৰী চন্দ্ৰহাৰ এধাৰ আনি বল্লভক দিলে।

পাই—বল্লভৰ ঘৈণীয়েকৰ মনত আনন্দৰ জোৱাৰ উঠিল। চন্দ্ৰহাৰ পিন্ধি তাই চুবুৰিলৈ ওলাল আৰু বহু সময়ৰ অন্তত পুনৰ ঘৰলৈ উভতিল।

কথাটো আন বহুতৰ দৰে এটা চোৰৰো কাণত পৰিল। আৰু শুনি—ক'ৰনো আৰু সি থিৰেৰে থাকিব? মাজ নিশা সি বল্লভহঁতৰ ঘৰ পালেগৈ আৰু বল্লভৰ সুখেৰে টোপনিয়াই থকা ঘৈণীয়েকৰ ডিঙিৰপৰা চন্দ্ৰহাৰডাল একে আঁজোৰতে ছিঙি লৈ দৌৰি পলাই গ'ল।

বল্লভৰ ঘৈণীয়েকে দুপৰ ৰাতিৰপৰা কান্দি আছিল। এতিয়া কন্দা-কটা বন্ধ কৰি তাই গিৰিয়েক বল্লভক ক'লে, "শুনা, যি হ'ল—হ'ল। মাতবোল কৰা গল-মণিকা আৰু গলত পিন্ধা চন্দ্ৰহাৰ আমাৰ পক্ষে বেয়া একেবাৰে ভাল নহয়। পিছে—ধন আমাক লাগেই আৰু লাগে কম সময়তে ধনী হোৱাৰ উপায়। সেই উপায় আছে। আকৌ হাবিলৈ যোৱা, চন্দনজোপা কটাৰ ভাও দিয়া, আৰু বনদেৱীক কোৱাগৈ যে—তুমি এতিয়া বেহা-বেপাৰ কৰিবা, আৰু তাৰ বাবে এথৈলা সোণৰ মুদ্ৰা লাগে। তেতিয়া আমি জুপুৰি এৰি পকী ঘৰ বনাম, আয়মেৰে জীৱন কটাম।"

কি আৰু কৰিব বল্লভে। তাৰ তলে শিল, ওপৰে কিল। গ'ল সি বনলৈ।

ভাটৌৰে কোৰাদি ক'লে ঘৈণীয়েকে শিকোৱা কথা। বনদেৱীয়ে গছ এজোপাৰ পিনে হাত এখন কাটি কৰি দিলে। আৰু গছজোপাৰ এটা ঠালৰপৰা এথৈলা সোণৰ মুদ্ৰা সৰি পৰিল। বল্লভে সোণৰ মুদ্ৰাখিনি বুটলি লৈ ঘৰমুৱা হ'ল।

কিন্তু বাটত দুজন ৰাজপ্ৰহৰীক দেখা পাই বল্লভ অলপ দমি গ'ল।

ৰাজপ্ৰহৰী দুটাই বল্লভক সুধিলে, "এই থৈলাত কি আছে?"

বল্লভে বেঙে মূতা গৰুটো যেন হৈ কঁপিজঁপি ক'লে, "থৈলাৰ ভিতৰত ৰিঠা আছে, ৰিঠা।"

ৰাজপ্ৰহৰী দুটাই থৈলাটোৰ ভিতৰলৈ জুমি চাই, সোণৰ মুদ্ৰাৰে ঠাহ খোৱা দেখি—বল্লভক ডাঙৰ ডকাইত এটা বুলি ভাবি ৰজাৰ ওচৰলৈ ধৰি লৈ গ'ল।

ৰজাই বল্লভৰ কথা অলপো বিশ্বাস নকৰি তাক দুমাহৰ বাবে ফাটেকত ভৰাই থোৱাৰ আদেশ দিলে আৰু সোণৰ মুদ্ৰাবোৰ ৰাজকোষত জমা কৰিবলৈ ক'লে।

দুমাহ দিন ধৰি ফাটেক খোৱাৰ অন্তত বল্লভে পুনৰ যেতিয়া ঘৰ পালেগৈ, তেতিয়া ঘৈণীয়েকে পুনৰ বল্লভক হাবিলৈ গৈ বনদেৱীৰপৰা কিবাকিবি খুজি আনিবলৈ দঢ়াই দঢ়াই ক'লে।

বল্লভ বনলৈ গ'ল; কিন্তু এইবাৰ সি চন্দন বৃক্ষৰ কাষলৈকো নগ'ল, বা বনদেৱীকো লগ নধৰি আগৰ দৰেই শুকান খৰি বুটলি ঘৰলৈ উভতি আহি ঘৈণীয়েকক ক'লে যে—ধুমুহাই চন্দন-জোপাক উভালি পেলালে, আৰু বনদেৱীকো সি বিচাৰি নাপালে; কিন্তু বনত যি ধন আছে—সম্পদৰূপী বৃক্ষ আছে, তাৰে সহায়ত যিকোনো মানুহ স্বচ্ছন্দে জীৱন কটাব পাৰিব বুলি বনদেৱীয়ে তাক আগতেই কৈ দিলে। এতিয়াৰপৰা সেই কথাকে সি সাৰোগত কৰিব।



আত্মত্যাগ

দুহাজাৰ বছৰৰ আগেয়ে চীনদেশত ছো-পো-তাউ নামৰ এগৰাকী বৃদ্ধ বাস কৰিছিল। বৃদ্ধ তাউ-ৰ পাণ্ডিত্য আছিল সৰ্বজনবিদিত। কিন্তু বৃদ্ধ পণ্ডিত তাউ-ৰ পাণ্ডিত্যৰ সলাগ লৈ তেওঁক সহায়ৰ বাবে আগবাঢ়ি অহা মানুহৰ বৰ অভাৱ হৈছিল।

তাউ য'ত বাস কৰিছিল, তাৰপৰা এশ মাইল দূৰত আছিল চু ৰাজ্য। চু-ৰাজ্যৰ ৰজাই গুণী-পণ্ডিতসকললৈ বৰ আদৰ-সাদৰ কৰে, সহায় কৰে, এই কথা দেশৰ আৰু সকলোৱে সকলোতে জানে। চু-ৰাজ্যৰ ৰজাই পণ্ডিত লোকসকল কেৱল মানেই নথৰে, ধনেৰেও সহায় কৰে।

বৃদ্ধ দৰিদ্ৰ পণ্ডিত তাউ-ক তেওঁৰ বন্ধু-বান্ধৱসকলে ক'লে চু ৰাজ্যলৈ যাবলৈ।

চু ৰাজ্য এশমাইলৰ দূৰণিবটীয়া ঠাই। কেইবাদিনো ধৰি খোজ কাঢ়ি কাঢ়ি ভাগৰি পৰি বৃদ্ধ তাউৱে ক'ৰবাত জিৰণি ল'ম বুলি ভাবিলে, আৰু গাঁও এখনত য়ং-চিয়াবু-আয়ি নামৰ ব্যক্তি এজনৰ ঘৰলৈ গ'ল। আয়িয়ে বৃদ্ধ তাউ-ক সুন্দৰকৈ আদৰিলে আৰু অতিথি হিচাপে ৰাখিলে।

আয়িও সাধাৰণ মানুহ নাছিল। তেওঁৰ ঘৰত প্ৰাচীন গ্ৰন্থসমূহ দেখা পাই বৃদ্ধ তাউ অভিভূত হ'ল। আয়িৰ সৈতে কথোপকথন কৰি তাউ অতি তুষ্ট হ'ল, আৰু তাউৱে ক'লে, "চু ৰাজ্যৰ ৰজাই হেনো পণ্ডিত লোকসকলৰ মান ধৰে। মই তেওঁক দৰ্শন কৰাৰ মনেৰে ওলাইছোঁ। তুমিও মোৰে সৈতে ব'লা।"

শুনি আয়ি কিছু অবাকেই হ'ল। কিন্তু পাছত আয়িয়ে বৃদ্ধ তাউৰ প্ৰস্তাৱ

'চীনদেশৰ লোক-কাহিনী'

মানি ল'লে, আৰু তাউৰ সৈতে লগ লাগি চু ৰাজ্যলৈ বুলি যাত্ৰা কৰিলে।

কেইদিনমান ধৰি একেৰাহে গৈ থকাৰ অন্তত এদিন বৰফ-ধুমুহাৰ দুয়ো মাজত লিয়াং পৰ্বতত আটক হৈ পৰিল। তেতিয়া চু ৰাজ্য আৰু মাত্ৰ তিনিদিনৰ বাট। কিন্তু এই বৰফ-ধুমুহাৰ মাজত এখোজো আগ বাঢ়ি যোৱা টান। ইমান হাড়-কঁপোৱা ঠাণ্ডা জাৰত দুয়োজনৰে—বিশেষকৈ বৃদ্ধ তাউ-ৰ অৱস্থা মৰা-মুগা যেন হৈ পৰিল।

ধুমুহাৰ দ্বিতীয় দিনা বৃদ্ধ তাউৱে যুৱক আয়িক ক'লে, "বোপা, মোৰ দিন চমু চাপি আহিছে। মই হাজাৰ চেষ্টা কৰিলেও চু ৰাজ্য আৰু পাবগৈ নোৱাৰিম। এটা কাম কৰা, মোৰ কাপোৰকানিখিনি তুমি লোৱা, আৰু অকলেই চু ৰাজ্যলৈ যোৱা। মই মোৰ বস্ত্ৰখিনি তোমাক দিছোঁ।"

কিন্তু আয়ি-য়ে তাউৰ এই প্ৰস্তাৱ মানি নল'লে। আয় স্পষ্টকৈ ক'লে, "চু ৰাজ্যলৈ যদি যাবেঁই, আমি দুয়ো একেলগে যাম; আৰু যদি জাৰৰ কোবত মৰোঁৱেই—দুয়ো একলগে মৰিম। আপোনাৰ গৰম কাপোৰখিনি লৈ মই আপোনাক কেনেকৈনো মৰি পেলাম?"

"বোপা, মোৰ তিনিকাল গৈ একালত লাগিল; কিন্তু তোমাৰ এতিয়াও দিন আছে। চু ৰাজ্যৰ ৰজাই মোৰ মান ধৰক-

নধৰক—কথ. একেই। মইনো কেইদিন ?

কিন্তু তাউৰ কথা আয়িয়ে এইবাৰো মানি নল'লে। ঠাণ্ডাত ঠেৰেঙা লাগি ছুয়ো পাহাৰৰ গুহা এটাত সোমালগৈ।

তেতিয়া বুঢ়া তাউৱে আয়িক ক'লে, "ক'ৰবাত শুকান খৰি বিচাৰি পোৱানেকি চোৱাচোন—অলপ জুই পুৱাব পাৰিলে বৰ আৰাম পালোহেঁতেন "

তাউৰ কথাত আয়ি তৎক্ষণাৎ খৰি বিচাৰি ওলাল।

কিছু সময়ৰ অন্তত তাউৱে তেওঁৰ গৰম বস্ত্ৰখিনি গুহাৰ ভিতৰতে এৰি থৈ গুহা এৰি বহিৰলৈ ওলাল আৰু বৰফৰ বিৰাট গাঁত এটাৰ মাজলৈ জঁাপ দি পৰিল।

আয়িয়ে শুকান খৰি বুটলি লৈ উভতি আহি গুহাৰ ভিতৰৰ দৃশ্য দেখি বাহিৰলৈ ওলাই আহি ইফালে-সিফালে চাই বৃদ্ধ তাউৰ মৃতদেহ বৰফত পোত খাই পৰি থকা দেখা পালে।

আয়িৰ চু ৰাজ্যলৈ যাত্ৰাৰ কাৰণে বৃদ্ধ তাউৰ এনে আত্মত্যাগৰ কথা বুজি পাই, কান্দি আকুল হৈ আয়িয়ে তাউৰ বস্ত্ৰবোৰ পিন্ধিলে, আৰু তাউৰ মৃতদেহৰ আগত মৌন ভাবে থিয় হৈ অশ্ৰু বিসৰ্জন কৰি পুনৰ চু ৰাজলৈ বুলি খোজ লৈ'লে।

চু দেশৰ গুণী ৰজাই আয়িকো আদৰি ল'লে, আৰু বিভিন্ন উপহাৰ-উপঢৌকনেৰে সন্মানিত কৰিলে। ৰাজসভাত আয়িলৈ সন্মান জ্ঞাপন কৰোঁতে আয়িৰ ছুচকুৰপৰা লোতক বাগৰি আহিল, আৰু তেতিয়া চু-ৰজাই সোধাত আয়িয়ে বৃদ্ধ পণ্ডিত তাউৰ কথা চু-ৰাজ্যৰ ৰজাক ক'লে। চু ৰজা তৎক্ষণাৎ পণ্ডিত মৃত তাউ-ৰ ওচৰলৈ ৰাওনা হ'ল, আৰু পণ্ডিত তাউৰ আগত আঁঠু লৈ সন্মান জ্ঞাপন কৰিলে আৰু তাতে তাউৰ সমাধি নিৰ্মাণ কৰিলে।

তাউৰ সেই সমাধি আজিও চীনদেশৰ পণ্ডিতসকলৰ বাবে এক মহান তীৰ্থস্থান।



দুখ আৰু সুখ

কৃষ্ণচন্দ্ৰ আৰু দিলীপচন্দ্ৰই মিলি ঢেৰ দিন ধৰি চিন্তি এখন বাগিচা কিনিলে।

কৃষ্ণচন্দ্ৰই বাগান-বাগিচাৰ কাম একেবাৰে কৰিব নাজানে। কৃষ্ণচন্দ্ৰ হ'ল ঈশ্বৰভক্ত। কৃষ্ণচন্দ্ৰই কৰে ঈশ্বৰৰ ভজনা দিলীপ বাগিচাৰ কাম-বন ভালকৈ জনা। বাগিচাৰ কামতে তাৰ আনন্দ।

যি বছৰ সিহঁতে বাগিচা কিনিলে, উদয়াস্ত শ্ৰম কৰি কৰি দিলীপে দুগুণে ফল পালে, আৰু সেই ফলবোৰ বেচি দহোগুণে লাভ কৰিলে। এইবাৰ সিহঁতৰ আগত এটা সমস্যাই মূৰ দাঙিলে ঃ লাভৰ ধন কোনে কিমানকৈ ল'ব? আধাআধিকৈ ল'বলৈ কোনো মান্তি নহয়।

“মই দিনে-নিশাই কঠোৰ শ্ৰম কৰি ইমান ফল ওপজালোঁ। গতিকে—মই কিছু অধিক লাভ ল'ম।” দিলীপে ক'লে।

“মই একমনে ঈশ্বৰৰ আৰাধনা কৰিছিলোঁ বুলিয়েই ইমান ওপজ হ'ল। এতেকে অধিক লাভ মোৰেই প্ৰাপ্য।” কৃষ্ণচন্দ্ৰই নিৰ্লিপ্তভাৱে ক'লে।

এই কথাত দুয়োৰো মাজত বাচ্যাবাচ্যি লাগি পৰিল। ই বোলে মই বেছি ল'ম, সি বোলে মই। আৰু তাৰ পাছত—এই কথাৰ মীমাংসা কৰিবৰ মনেৰে সিহঁত দুয়ো গাঁৱৰ বুঢ়া গাঁওবুঢ়াৰ কাষ চাপিল।

গাঁওবুঢ়াই দুয়োজনৰ বক্তব্য ধৈৰ্য্য ধৰি শুনিলে আৰু দুয়োকে ক'লে, “শুনা, মই তোমালোকক এটা সৰু কাম কৰিবলৈ দিম। আজি ৰাতিটোৰ ভিতৰে কামটো কৰি, কালিলৈ পুনৰ ইয়ালৈ আহিবা।”

এই কথা কোৱাৰ অন্তত গাঁওবুঢ়াই

‘পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী’

দুয়োকো দুবস্তাকৈ ধান দিলে আৰু ক'লে, “এই ধান বানি চাউল আনি দিবা।”

কৃষ্ণচন্দ্ৰই ধান বানি চাউল বনোৱাৰ চেষ্টাও নিদিলে। আৰু কামটি ঈশ্বৰৰ ওপৰত জাপি দি শুই নিঃপালি দিলে।

কিন্তু দিলীপে ৰাতি উজাগৰে থাকি মানুহ এজনীৰে ধানৰপৰা চাউল মোক লাগে।

দুপৰ ৰাতি গাঁওবুঢ়া গাঁও ফুৰিবলৈ সদায় ওলায়, আজিও ওলাল। ওলাই দিলীপৰ ঘৰত ধান খুন্দাৰ শব্দ শুনিলে. কিন্তু কৃষ্ণচন্দ্ৰৰ ঘৰত কাণ পাতি বুজিলে যে সি শুই নিঃপালি দিলে।

পাছদিনা গাঁওবুঢ়াই কৃষ্ণচন্দ্ৰৰ বস্তা দুটা খুলি চালে—এটা চাউলো নাছিল, আছিল কেৱল ধান। কৃষ্ণচন্দ্ৰই ভাবিছিল যে ঈশ্বৰেই নিশ্চয় আটাইখিনি ধান চাউল কৰি দিব। কিন্তু সাধুকথাত হোৱাৰ দৰে একোৱেই নোহোৱা দেখি কৃষ্ণচন্দ্ৰ ভেবা লাগিল।

কিন্তু দিলীপচন্দ্ৰৰ এটা বস্তাত ধান আছিল, আৰু এটা বস্তাত ধুনীয়া চাউল আছিল।

তেতিয়া গাঁওবুঢ়াই কৃষ্ণচন্দ্ৰক ক'লে, “কৃষ্ণচন্দ্ৰ, দেখিছাই নহয়—? মেহনত বিনে ফল নোপজে। ঈশ্বৰে কাকো কোৱা নাই যে—বিনা পৰিশ্ৰমেৰে জীয়াই থাকা। ঈশ্বৰে নিজেও দিনে-নিশাই পৰিশ্ৰম কৰে, সকলোৰে মংগল-অমংগলৰ খবৰ লয়। তুমিনো কি কৰিছা? একেবাৰে ঘাম নিবিৰিডোৱাকৈয়েই তুমি কেনেকৈনো ফলৰ আশা কৰাহে? দুখ কৰিলেহে মুখ ভৰে, ঈশ্বৰে মোৰ বোলে।—এইবাৰলৈ যি হ'ল—হ'ল। এতিয়াৰপৰা—শ্ৰম কৰিবা একমনে, ফল ল'বা এক সমানে।”

এই ঘটনাৰ পাছৰপৰা কৃষ্ণচন্দ্ৰয়ো দিলীপচন্দ্ৰৰ সৈতে সকলো কামত হাত উজান দিছিল আৰু লাভৰ ভাগ লৈ কেতিয়াও কাজিয়া-কন্দল নকৰিছিল।



বৃহত্তম বীজ

ছিচিলি দ্বীপত পৃথিৱীৰ বৃহত্তম বীজ বিচাৰি পোৱা হৈছে। কোকে-ডা-মেৰ নামৰ এই বীজ একো একোটা আনকি ৪০ পাউণ্ড (১৮ কেজি) ওজনৰো হয় !



বিচিত্ৰ বিৰালী

যদিও নাহৰফুটুকী দৰাচলতে বিৰালীজাতীয় প্ৰাণী, তথাপি, ই বিৰালীৰ দৰে ইয়াৰ নখ হাতোৰাৰ ভিতৰত সুমুৱাই ল'ব নোৱাৰে। নাহৰফুটুকীয়ে বিৰালীৰ দৰে চিকাৰৰ ওপৰলৈ জঁপিয়াই নপৰে, ই চিকাৰলৈ খেদিহে যায়।

সামাজিক চৰাই

আফ্ৰিকাৰ এবিধ চৰায়ে শুকান ঘাঁহেৰে সমষ্টিগত বাহ সাজে। পোনতে বাহৰ চাল সাজি লয় পাছত খোপ সাজে। বাহৰ-তলৰ ফালেদি খোপৰ ভিতৰলৈ সোমাব লাগে !

অতিকৈ মৰমৰ এই উপহাৰ
দিয়েনে কি ভাবি চাওক
প্ৰবাসুৱা হৈ থকা আপোনাৰ
চেনেহৰজনে পাওক

চান্দমামা

তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :

অসমীয়া, বাংলা, ইংলিছ, গুজৰাটি, হিন্দী, কন্নড়, মালায়ালম্, মৰাঠী, ওড়িয়া, সংস্কৃত, তামিল আৰু তেলেগু

আৰু প্ৰবাসত থাকিও উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক

বছৰেকীয়া বৰঙণি

অষ্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে ৮১·০০ টকা * উৰা-জাহাজ-যোগে ১৫৬·০০ টকা

ফ্ৰান্স, ছিংগাপুৰ ইংলেণ্ড, আমেৰিকা, পশ্চিম জাৰ্মানি আৰু অন্যান্য 'দেশলৈ

জাহাজ-যোগে ৮৭. ০ টকা * উৰা-জাহাজ যোগে ১৫৬·০০ টকা

টকা-পইচা
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ
কেৱল ডিমাণ্ড ড্ৰাফট নাইবা মনিঅৰ্ডাৰ যোগে তলৰ ঠিকনালৈ পঠাব :

ছাৰ্কুলেশ্যন মেনেজাৰ
চান্দমামা পাবলিকেশ্যনছ
চান্দমামা বিল্ডিংছ
বড়াপালানি, মাদ্ৰাজ-৬০০ ০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা :: পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৯০ চনৰ মাৰ্চ সংখ্যাত প্ৰকাশিত হ'ব



* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯০ চনৰ জানুৱাৰি মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI
MADRAS—600 026.

১৯৮৯ চনৰ নৱেম্বাৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : নাচৰ তালে তালে — দ্বিতীয় ফটো : অৰুণ-হৃদয় দোলে

পুৰস্কাৰ প্ৰাপক : প্ৰফুল্ল বৰা, ডি কে ডি কলেজ, দেৰগাঁও

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা

ভাৰতত বছৰেকীয়া বৰঙণি ৩৬.০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026

নাইবা

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

PolioPlus

IMMUNIZATION AN ASSURANCE OF GOOD HEALTH TO CHILDREN

VACCINATIONS When and How Many

Age to Start Vaccination	Name of Vaccine	Name of Disease	How Many Times
Birth	**BCG**	**Tuberculosis**	Once
6 weeks	**Polio**	**Polio**	Three times with intervals of at least one month
6 weeks	**DPT**	**Diphtheria Pertussis (Whooping Cough) Tetanus**	Three times with intervals of at least one month
9 months	**Measles**	**Measles**	Once

Babies should receive all vaccinations by the time they are twelve months old.

Pregnant women should get themselves vaccinated against Tetanus (TT) twice—in an interval of at least one month—during the later stages of pregnancy.

HEALTHY CHILD—NATION'S HOPE & PRIDE

Design courtesy : World Health Organisation

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

আম-বাগিছাত মিঠা মিঠা কথা
ভাটৌচৰাইৰ সতে
হেৰা চোৰা ! মোৰ নতুন মেঙ্গো চুইট !
হেৰা চোৰা ! মোৰ নতুন মেঙ্গো চুইট !
জানা ! ইয়াৰ ভিতৰত সঁচা-সঁচি আম আছে !
জানা ! ইয়াৰ ভিতৰত সঁচা-সঁচি আম আছে !
চু-উ উ প্ বদমাচ ! মোৰ মেঙ্গো চুইট এটা খাই চোৰাঁ।
চু-উ উ উপ্ বদমাচ ! মোৰ মেঙ্গো চুইট এটা খাই চোৰাঁ।
ইয়াক মই কি নামেৰে মাতিম জানা ?
আম-ৰস
কি ক'লা ? আকৌ কোৱানা।
আ আ ম . . . ৰ্ ৰ্ স। হ'বনে অমৃত বচন বাৰে বাৰে আওৰাব নেপায় নহয় !
হি . . . হি . . . হি !
নিউট্ৰিন
আম-ৰস
ভিতৰত আচল আমৰ সোৱাদ আৰু পেক কৰা ভাটৌৰ দৰে ৰঙ-বিৰঙী পেকত
nutrine AAM-RAS
আচলতেই পাব ইয়াত আচল আম !
THE FINEST, WIDEST RANGE
nutrine
India's largest selling sweets
Visesh/NC/8940/Ass